# ১. কাৰ্য্যবাহী সাৰাংশ

## ১.১. পটভূমি

ব্ৰহ্মপুত্ৰ, অসমৰ সোঁমাজেৰে বৈ গৈছে তথা নগৰীয়া আৰু গ্ৰামীণ ফেৰী সেৱা দুয়োৰে বাবে সঞ্জীৱনীস্বৰূপ সংযোগ আগবঢ়াইছে যি অসমৰ বহুতো অংশৰ জনসংখ্যাৰ বাবে একক মুখ্য গুৰুত্বপূৰ্ণ পৰিবহন প্ৰণালী। অসম পৰিবহন বিভাগৰ এটা ভাগ, ১৯৫৮ চনত স্থাপিত হোৱা অসম আভ্যন্তৰীণ জল পৰিবহন, ৰাজ্যৰ আভ্যন্তৰীণ জল পৰিবহন সেৱাৰ বিকাশ, পৰিচালনা আৰু নিয়ন্ত্ৰণৰ বাবে দায়বদ্ধ। ই লগতে ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীত বহুতো যাত্ৰী পৰিবহন সেৱা, ফেৰী বন্দৰ আৰু গতিপথ-নিৰ্দেশনাৰ চলাচল আৰু পৰিচালনা কৰে। সামগ্ৰীকভাৱে ফেৰী উদ্যোগটোৱে এক ক্ৰমাগতভাৱে পুৰণি আৰু নি:কিনভাৱে সজ্জিত হোৱাৰ বৈশিষ্ট্যতা অৰ্জন কৰিছে। সৰহভাগ চাহিদা বৰ্ত্তমান আন্ত:গাঁথনি বিহীন পৰম্পৰাগত দেশীয় নৌকা চলোৱা অনানুষ্ঠানিক খণ্ডই পূৰ কৰি আছে আৰু বৰ্ত্তমান উপলব্ধ বন্দৰ ব্যৱস্থাৰ সা-সুবিধা আৰু গতিপথ-নিৰ্দেশনাৰ সাহায্য যথেষ্ঠ নহয়।

এই প্ৰেক্ষাপটত, অসম চৰকাৰে বিশ্ব বেংকৰ সহায়ত, উচ্চ মানদণ্ডৰ যাত্ৰী আৰু বাহন ফেৰী সেৱা আৰু আভ্যন্তৰীণ জল মালবাহী প্ৰণালীক সংযুক্ত কৰি, এক বহলতৰ পৰিবহন ব্যৱস্থাৰ দিশে আভ্যন্তৰীণ জল পৰিবহন সেৱাৰ মানদণ্ড পৰিৱৰ্ত্তন কৰাৰ সিদ্ধান্ত লৈছে, আৰু তাৰবাবে 'অসম আভ্যন্তৰীণ জল পৰিবহন প্ৰকল্প' বোলা প্ৰকল্পটো প্ৰস্তুত আৰু কাৰ্য্যকৰী কৰিবলৈ অসম আভ্যন্তৰীণ জল পৰিবহন উন্নয়ন সমিতি (AIWTDS) স্থাপিত কৰিছে।

## ১.২. প্ৰকল্প বিৱৰণ

এই প্ৰকল্পটোৰ উন্নয়ন উদ্দেশ্যসমূহ হ'ল ক) অসমত যাত্ৰী পৰিবহন আন্ত:গাঁথনি আৰু সেৱা উন্নত কৰা, আৰু খ) আনুষ্ঠানিক সক্ষমতা আৰু ধ্যান-ধাৰণাৰ গাঁথনি উন্নত কৰা। এই প্ৰকল্পটোৰ তিনিটা মুখ্য উপাদান আৰু আঠটা উপ-উপাদানসমূহৰ অভিপ্ৰায় হ'ল সামগ্ৰীকভাৱে খণ্ডটোৰ নিয়ন্ত্ৰণব্যৱস্থা, পৰিচালনা আৰু আন্ত:গাঁথনি সম্পৰ্কীয় প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰা। তিনিটা মুখ্য উপাদানসমূহ হ'ল:

১. আনুষ্ঠানিক, নিয়ন্ত্ৰণব্যৱস্থা আৰু সুৰক্ষা সৰলীকৰণ (প্ৰাক্কলিত ব্যয় ইউএছ ডলাৰ ২০ মিলিয়ন)। এই উপাদানত অন্তৰ্ভুক্ত থাকিব:

    ক) কাৰিকৰী সহযোগিতা: খণ্ড পৰিকল্পনা, নক্সা আৰু নতুন নিয়ন্ত্ৰণকাৰী কৰ্তৃপক্ষৰ ঘোষণা, অসম ফেৰী সেৱা কোম্পানী আৰু অসম বন্দৰ কোম্পানীৰ বাবে ব্যৱসায় পৰিকল্পনা; পুনৰ্গঠিত উদ্যোগটোত নতুন ভূমিকাসমূহ পূৰণ কৰিবলৈ কৰ্মচাৰীবৃন্দৰ প্ৰশিক্ষণ (৮ মিলিয়ন ইউএছ ডলাৰ)

    খ) সুৰক্ষা ব্যৱস্থাপনা: নদী গতিপথ-নিৰ্দেশনা সাহায্য, কিছুমান পথত নৈশ গতিপথ-নিৰ্দেশনা প্ৰযুক্তিবিদ্যা, আৰু জৰুৰীকালীন প্ৰতিক্ৰিয়া ব্যৱস্থা (নীতি, কাৰ্য্যপ্ৰণালী, বাহন আৰু সৰঞ্জাম) (১২ মিলিয়ন ইউএছ ডলাৰ)

২. নৌবহৰ সুৰক্ষা মানোন্নয়ন আৰু আধুনিকীকৰণ (প্ৰাক্কলিত ব্যয় ২৫ মিলিয়ন ইউএছ ডলাৰ)। ইয়াত অন্তৰ্ভুক্ত থকা বিত্তপোষণ হ'ল:

ক) অসম চৰকাৰৰ উদগনি আঁচনি (জীৱনদিঙা হিচাপে জনাজাত) নতুন নিয়ন্ত্ৰণকাৰী আমোললৈ উদ্যোগ সংক্ৰমণক সহযোগিতা কৰিবলৈ; অসুৰক্ষিত ব্যক্তিগত ফেৰীসমূহত আধুনিক সামুদ্ৰিক ইঞ্জিন লগোৱা, নতুন ফেৰীৰ বাবে আৰ্থিক সাহাৰ্য্য, আৰু সুৰক্ষা সৰঞ্জামেৰে পশ্চাদসংযোগ কৰাৰ বাবে এইটো অভিকল্পনা কৰা হৈছে (১০ মিলিয়ন ইউএছ ডলাৰ);

খ) অসম ফেৰী কোম্পানীৰ বাবে নতুন ফেৰী সংগ্ৰহ কৰা (১৫ মিলিয়ন ইউ এছ ডলাৰ)।

৩. বন্দৰ আন্ত:গাঁথনিত মানোন্নয়ন (প্ৰাক্কলিত ব্যয় ১০৫ মিলিয়ন ইউ এছ ডলাৰ)। ইয়াত অন্তৰ্ভুক্ত থকা আৰ্থিক ব্যৱস্থা সমূহ হ'ল:

ক) গুৱাহাটী আৰু নদীদ্বীপ মাজুলীৰ ফেৰী পথসমূহৰ বাবে অগ্ৰাধিকাৰপ্ৰাপ্ত বন্দৰসমূহৰ সা-সুবিধা (ইউএছ ডলাৰ ৭০ মিলিয়ন); আৰু

খ) অন্য ঘাটবোৰৰ বাবে আধুনিক ব্যৱস্থা (৩৫ মিলিয়ন ইউএছ ডলাৰ)।

## ১.৩. অগ্ৰাধিকাৰপ্ৰাপ্ত স্থানসমূহৰ বাবে পূৰ্ণবন্দবস্ত কাৰ্য্যব্যৱস্থাৰ পৰিকল্পনা তথা থলুৱা জনসাধাৰণৰ উন্নয়নৰ পৰিকল্পনাৰ প্ৰয়োজনীয়তা (আৰএপি আৰু আইপিডিপি)

এই পূৰ্ণবন্দবস্ত কাৰ্য্যব্যৱস্থা পৰিকল্পনা তথা থলুৱা জনসাধাৰণৰ উন্নয়ন পৰিকল্পনা (আৰএপি আৰু আইপিডিপি) প্ৰকল্পৰ ১-ম পৰ্য্যায়ত অন্তৰ্ভুক্ত তিনিটা অগ্ৰাধিকাৰপ্ৰাপ্ত অঞ্চলত ব্যক্তি আৰু/বা সম্প্ৰদায়ৰ ওপৰত প্ৰকল্পৰ হস্তক্ষেপসমূহৰ সাম্ভাব্য বিৰূপ আৰু ইতিবাচক প্ৰভাৱ নিৰূপণৰ বাবে প্ৰস্তুত কৰা হৈছে আৰু ইয়াত অন্তৰ্ভুক্ত হৈ আছে:

- প্ৰকল্প প্ৰভাৱিত অঞ্চল (পিআইএ) আৰু প্ৰকল্প প্ৰভাৱিত লোক/পৰিয়াল (পিএপি/এফ)-ৰ আৰ্থ-সামাজিক অৱস্থাৰ বিষয়ে তথ্য আহৰণ কৰিবলৈ আধাৰৰেখা জৰীপ।
- প্ৰকল্পৰ গুৰুত্বপূৰ্ণ অংশীদাৰসকলৰ চিনাক্তকৰণ আৰু সম্প্ৰদায়টোৰ সৈতে মন্ত্ৰণা কৰিবৰ বাবে সাংস্কৃতিকভাৱে সঠিক প্ৰণালী বিকাশ কৰা।
- অঞ্চলটোত থলুৱা সম্প্ৰদায়সমূহ চিনাক্ত কৰা আৰু তেওঁলোকৰ ওপৰত প্ৰকল্পৰ সাম্ভাব্য প্ৰভাৱ নিৰূপণ কৰা
- প্ৰভাৱিত সম্প্ৰদায়টোৰ সৈতে মুক্ত, অগ্ৰাধিকাৰযুক্ত আৰু তথ্যবহুল মন্ত্ৰণাৰ ওপৰত ভিত্তি কৰি উপ-প্ৰকল্পটোৰ সাম্ভাব্য বিৰূপ প্ৰভাৱ আৰু প্ৰভাৱসমূহৰ মান, প্ৰাৱল্য, বিতৰণ আৰু ইয়াৰ কাৰ্য্যকাল নিৰূপণ
- ঘৰুৱা সম্প্ৰদায়টোৰ ওপৰত শ্ৰমিক অন্তৰ্প্ৰৱাহৰ সাম্ভাব্য প্ৰভাৱ নিৰূপণ আৰু ব্যৱস্থাপন পদক্ষেপসমূহৰ প্ৰস্তাৱ
- যুক্তিপূৰ্ণ নেতিবাচক প্ৰভাৱসমূহ সম্বোধন কৰিবলৈ সাম্ভাব্য ব্যৱস্থাপন কৌশলসমূহৰ চিনাক্তকৰণ, যাতে প্ৰকল্পৰ উপযোগিতা সৰ্ব্বাধিক হয়।
- প্ৰকল্প মধ্যস্থতাকৰণ কাৰ্য্যকৰী কৰিবলৈ আনুষ্ঠানিক সক্ষমতাৰ নিৰূপণ
- প্ৰকল্পৰ ফলাফল হিচাপে সামাজিক উন্নয়নৰ মুল্যায়ন কৰিবলৈ নিৰীক্ষণ আৰু মূল্যায়ন সাধন প্ৰণালীৰ বিকাশ

## ১.৪. সামাজিক প্ৰভাৱ মূল্যায়ন প্ৰতিবেদনৰ উদ্দেশ্যসমূহ

সামাজিক প্ৰভাৱ মূল্যায়ন প্ৰতিবেদন অধ্যয়নৰ মুখ্য উদ্দেশ্য হ'ল তিনিটা অগ্ৰাধিকাৰপ্ৰাপ্ত স্থানৰ নিৰ্মাণ আৰু পৰিচালনাৰ কালছোৱাত হ'ব পৰা সাম্ভাব্য ইতিবাচক আৰু নেতিবাচক সামাজিক নিৰাপত্তাৰ পূৰ্ব্বানুমান, নিৰ্ধাৰণ আৰু বিশ্লেষণ। ইয়াৰ ফলস্বৰূপে ই চিনাক্ত কৰা নেতিবাচক প্ৰভাৱসমূহ নিৰ্বাপন কৰিব পৰা সম্ভৱপৰ পদক্ষেপসমূহ প্ৰস্তাৱ কৰা, উন্নয়নে সম্প্ৰদায়সমূহক তেওঁলোকৰ সামাজিক ও অৰ্থনৈতিক অৱস্থাৰ ক্ষেত্ৰত নেতিবাচকভাৱে প্ৰভাৱিত নকৰাটো নিশ্চিত কৰাত সহায় কৰিব। এই অনুশীলনটো, প্ৰযোজ্য ৰাষ্ট্ৰীয়/ৰাজ্যিক আইনসমূহ আৰু বিশ্ব বেংকৰ সুৰক্ষা নীতি অনুসৰি সম্পন্ন কৰা হৈছিল।

**নিৰ্দিষ্ট উদ্দেশ্যসমূহ হ'ল:**

- প্ৰকল্পটোৰ সম্ভাব্য সামাজিক প্ৰভাৱৰ পূৰ্ব্বানুমান আৰু মূল্যায়ন আৰু গুৰুত্বপূৰ্ণ নেতিবাচক প্ৰভাৱসমূহ বাবে সম্পাদনসাধ্য নিৰ্বাপনৰ পদক্ষেপসমূহৰ প্ৰস্তাৱ।
- ৰাইজৰ পৰামৰ্শমূলক অংশগ্ৰহণ সহজসাধ্য কৰা আৰু প্ৰকাশিত অভিমত অধ্যয়ন প্ৰতিবেদনত সন্নিৱিষ্ট কৰা।
- এই তিনিটা অগ্ৰাধিকাৰপ্ৰাপ্ত অঞ্চলৰ এক বিস্তাৰিত সামাজিক ব্যৱস্থাপনা পৰিকল্পনা (ইএছএমপি), আৰএপি আৰু আইপিডিপি প্ৰস্তুতকৰণ

## ১.৫. প্ৰকল্পৰউপযোগিতাসমূহসৰ্ব্বাধিকআৰু বিৰূপ প্ৰভাৱসমূহন্যূনতমকৰাৰ যোগ্যতাসূচকমান

তলত বৰ্ণনা কৰা অনুসৰি প্ৰভাৱিত সম্প্ৰদায়সমূহৰ ওপৰত প্ৰকল্প হস্তক্ষেপৰ উপযোগিতাসমূহ সৰ্ব্বাধিক আৰু বিৰূপ প্ৰভাৱসমূহ ন্যূনতম কৰিবলৈ কৌশলসমূহ বিধিবদ্ধ কৰাৰ যোগ্যতাসূচক মান তৈয়াৰ কৰা হৈছে।

- প্ৰকল্পটোৰ বিৰূপ প্ৰভাৱসমূহ সম্পূৰ্ণৰূপে আঁতৰ কৰাটো অসম্ভৱ, কিন্তু নেতিবাচক প্ৰভাৱৰ মাত্ৰা হ্ৰাস কৰিবলৈ ইয়াক যথাসাধ্য পৰ্য্যায়লৈ সীমিত আৰু ক্ষতিপূৰণ কৰা।
- RAP-ত, প্ৰকল্পৰ উপযোগিতাসমূহ বৃদ্ধি কৰিবলৈ বিকল্প উপায়সমূহ সাৱধানতাৰে চালিজাৰি চোৱা হ'ব, বিশেষকৈ অসুৰক্ষিত শ্ৰেণীক সহায় কৰিবলৈ।
- অংশীদাৰসকলৰবিষয়ে সিদ্ধান্ত ল'বলৈ সদায়ে তথ্যবহুলআৰু অংশগ্ৰহণমূলকমন্ত্ৰণা পদ্ধতি গ্ৰহণ কৰা হ'ব।
- প্ৰকল্পটো কাৰ্য্যকৰী কৰাৰ প্ৰত্যেকটা পৰ্য্যায়ত, সম্ভৱপৰ সম্ভাব্য বিপদাশংকা বিশ্লেষণ কৰা হ'ব।
- য'তেই আৰু যেতিয়াই প্ৰয়োজন হ'ব সাময়িক নিৰীক্ষণ আৰু মূল্যায়নৰ সৈতে সময়োচিত হস্তক্ষেপত গুৰুত্ব আৰোপ কৰা হ'ব।

## ২.১ অধ্যয়নটোৰবাবে কৰ্মপদ্ধতি

জনসংখ্যাৰ আৰ্থ-সামাজিক আৰু জনসংখ্যা-সম্পৰ্কীয় পাৰ্শ্বচিত্ৰৰ বিষয়ে তথ্য সংগ্ৰহ কৰা প্ৰাথমিক আৰু দ্বিতীয়ক উৎসসমূহ ঘাটসমূহৰ পিআইএ-ৰ ভিতৰত পৰিছে।

**তথ্যৰ প্ৰবাহ "প্ৰকৃত সময়" ভিত্তিক হোৱাটো নিশ্চিত কৰিবলৈ তথ্যসমূহ এটা এণ্ড্ৰইড ভিত্তিক ম'বাইল এপ্লিকেচন ব্যৱহাৰ কৰি সংগ্ৰহ কৰা হৈছিল। সংগ্ৰহ কৰা তথ্য এছপিএছএছ আৰু এমএছ এক্সেল ব্যৱহাৰ কৰি উপস্থাপন আৰু পৰিসংখ্যায়ন সংক্ৰান্তীয় বিশ্লেষণৰে সঠিকতাৰ বাবে পৰীক্ষা কৰা হৈছিল**

প্ৰাথমিক তথ্য, প্ৰকল্প প্ৰভাৱিত অঞ্চল (পিআইএ)-ৰ কেন্দ্ৰীয় অংশৰ গাওঁসমূহ আৰু চহৰাঞ্চলৰ ৱাৰ্ডত, ঘৰে ঘৰে কৰা জৰীপ, গুৰুত্বপূৰ্ণ তথ্যদিওঁতাৰ সাক্ষাৎকাৰ আৰু বিষয়বস্তু সম্পৰ্কীয় আলোচনাসমূহক অন্তৰ্ভুক্ত কৰি গুৰুত্বপূৰ্ণ অংশীদাৰসকলৰ মন্ত্ৰণাৰ দ্বাৰা সংগ্ৰহ কৰা হৈছিল। কিছুমান গুৰুত্বপূৰ্ণ তথ্যদিওঁতা যেনে মহিলা আৰু থলুৱা জনসাধাৰণৰ পৰা তথ্য আহৰণ কৰিবলৈ অংশগ্ৰহণকাৰী মূল্যাংকন কৌশল ব্যৱহাৰ কৰা হৈছিল। তথ্য আহৰণ কৰা সঁজুলিত – ১) পিএপি-সকলৰ বাবে প্ৰশ্নাৱলী (১খ); ২) পৰিয়ালবৰ্গ (এইছএইছ)-ৰ জৰীপৰ বাবে প্ৰশ্নাৱলী (১ক); ৩) গাওঁৰ নেতা / বিষয়ববীয়াৰ বাবে প্ৰশ্নাৱলী; ৪) ফেৰী পৰিচালকসকলৰ বাবে গুৰুত্বপূৰ্ণ তথ্য আগবঢ়াওঁতাৰ সাক্ষাৎকাৰ সূচী আৰু ৫) সাধাৰণ জনতা, লিংগ গোট, থলুৱা গোট আৰু শ্ৰমিক গোট/ জীৱিকা গোটসমূহৰ সৈতে বিষয়বস্তু সম্পৰ্কীয় আলোচনাৰ বিন্যাস।

### ৩.১. ১-ম পৰ্য্যায়ৰ অধীনত প্ৰকল্প বিনিয়োগৰ বাবে ভূমিৰ প্ৰয়োজনীয়তা

প্ৰকল্পটোৰ ১-ম পৰ্য্যায়ৰ কাৰ্য্যকৰীকৰণৰ বাবে তিনিটা ঘাট অৰ্থাৎ গুৱাহাটী সংমগুলত গুৱাহাটী গে'টৱে ঘাট আৰু উত্তৰ গুৱাহাটী ঘাট আৰু ডিব্ৰুগড় সংমগুলত অফলামুঘ ঘাট নিৰ্বাচন কৰা হৈছিল। এই ঘাটকেইটা নিৰ্মাণৰ বাবে প্ৰয়োজনীয় ভূমিৰ পৰিসৰ তলত দেখুওৱা হৈছে[1]:

| উপ-প্ৰকল্পৰ নাম / প্ৰকাৰ | প্ৰয়োজনীয় ভূমিৰ পৰিমাণ (একৰত) | ভূমিৰ প্ৰকাৰ (ব্যক্তিগত, চৰকাৰী, সম্প্ৰদায়) | | |
|---|---|---|---|---|
| | | (ব্যক্তিগত | চৰকাৰী | সম্প্ৰদায় |
| গুৱাহাটী গে'টৱে ঘাট | ০.০৩৭৮ একৰ | শূন্য | ০.০৩৭৮ একৰ | শূন্য |
| উত্তৰ গুৱাহাটী | ০.০৩৪১ একৰ | শূন্য | ০.০৩৪১ একৰ | শূন্য |
| অফলামুখ | ০.৩১৮৮ একৰ | শূন্য | ০.৩১৮৮ একৰ | শূন্য |

প্ৰৱেশমূলক পথৰ নিৰ্মাণ আৰু তাৰ বাবে প্ৰয়োজনীয় ভূমি ইয়াত বিবেচনা কৰা হোৱা নাই।

### ৩.২. প্ৰকল্প প্ৰভাৱিত অঞ্চলৰ আৰ্থ-সামাজিক পাৰ্শ্বচিত্ৰ

- **গুৱাহাটী গে'টৱে ঘাট** গুৱাহাটী পৌৰ নিগমৰ ০২ নং ৱাৰ্ডত আছে, মহানগৰখনৰ ৭-ম সৰ্বাধিক জনবহুল ৱাৰ্ড আৰু ২০১১-ৰ জৰীপ প্ৰতিবেদন অনুসৰি, জনসংখ্যা হ'ল ১৬৬১৩, ৮৭৮০ (৫৩%) পুৰুষ আৰু ৭৮৩৩ (৪৭%) মহিলা (২০১১ জৰীপ)। ৪৭% পুৰুষ কৰ্মী মূল কৰ্মত জড়িত আৰু ৮ % পুৰুষ প্ৰান্তীয় কৰ্মত জড়িত। কৰ্মৰত মহিলাসকলৰ ভিতৰত ১৪% হ'ল মূল কৰ্মী আৰু ৬% হ'ল প্ৰান্তীয় কৰ্মী।
- **উত্তৰ গুৱাহাটী** অসমৰ কামৰূপ জিলাত এখন টাউন কমিটি চহৰ। এই চহৰখন ৪ টা ৱাৰ্ডত বিভক্ত। ২০১১ জৰীপ তথ্য অনুসৰি, ৫,০৮৮ গৰাকী পুৰুষ আৰু আৰু ৫,২৪০ গৰাকী মহিলাৰে ইয়াৰ জনসংখ্যা হ'ল

[1] ISDP Consultant ৰ ৰিপ'ৰ্টৰ ভিত্তিত

১০,৩২৮ গৰাকী ব্যক্তি। লিংগ হাৰ ৰাজ্যিক গড় ৯৫৮-ৰ বিপৰীতে ১০৩০। স্বাক্ষৰতাৰ হাৰ ৯৩.৬৮%, ৯৬.৫১% স্বাক্ষৰ পুৰুষ আৰু ৯০.৯৭% মহিলা স্বাক্ষৰৰ সৈতে, ৰাজ্যিক গড় ৭২.১৯%-তকৈ অধিক।

- **অফলামুখ ঘাট** মাজুলী নদীদ্বীপত অৱস্থিত য 'ত ১৪৪ খন গাওঁ আছে। প্ৰতি বৰ্গ কিলোমিটাৰত ৩০০ গৰাকী ব্যক্তি ঘন জনবসতিৰে নদীদ্বীপটোৰ মুঠ জনসংখ্যা হ 'ল ১৫০,০০০। ৭৪.৫৬.৬১ স্বাক্ষৰ পুৰুষ আৰু %৩৪% মহিলা স্বাক্ষৰতাৰ সৈতে মুঠ স্বাক্ষৰতাৰ হাৰ হ 'ল ৭৮.৫৬%। চাৰিখন গাওঁ অৰ্থাৎ গড়মূৰ যোগীপথাৰ , আতৈ চুক, দক্ষিণপাটসত্ৰ আৰু বৰবোকাপথাৰ এই ঘাটটোৰ পিআইএ-ৰ ভিতৰত পৰা কেন্দ্ৰীয় অঞ্চলৰ গাওঁ।

**৩.৩.অধ্যয়নটোৰ ফলাফলৰ মুখ্যাংশসমূহৰ সাৰাংশ তলত দিয়া হল:**

| উপ-প্ৰকল্প | সামাজিক মুখ্যাংশসমূহ | আৰএপি / আইপিডিপি-ৰ নিহিতাৰ্থ |
|---|---|---|
| গুৱাহাটী গে'টৱে ঘাট (দক্ষিণ গুৱাহাটী) | দক্ষিণ গুৱাহাটী নগৰীয়া আৰু গ্ৰামীণ জনবসতিৰ সৈতে এক মহানগৰীয়া চহৰ।<br><br>মানুহে জীৱিকাৰ তাড়ণাত আৰু অহা-যোৱা যাত্ৰাৰ উদ্দেশ্যে নিয়মীয়াভাৱে ফেৰী সেৱা ব্যৱহাৰ কৰে<br><br>অনুসূচীত জাতি আৰু জনজাতিৰ জনসংখ্যা পিআইএ-ত ক্ৰমান্বয়ে ৭% আৰু ৪%<br><br>পিআইএ-ত অধ্যয়ন কৰা লোকসকলৰ ৬৯% অসুৰক্ষিত শ্ৰেণীৰ বুলি প্ৰতিবেদনত প্ৰকাশ<br><br>পিআইএ-ত নিম্ন শিক্ষা আৰু নিম্ন হাৰৰ কৰ্ম অংশগ্ৰহণৰ সৈতে মহিলাসকলৰ পদমৰ্য্যদা নিম্নতৰ। লিংগ ভিত্তিক হিংসাৰ আশংকাৰ হাৰ ৰাজ্যখনত অতি উচ্চ আৰু বিষয়বস্তু সম্পৰ্কীয় আলোচনাত ই কিছু পৰিমাণলৈ প্ৰকাশ পাইছিল।<br><br>শ্ৰমিকসকলৰ অধিকাংশই দক্ষতাহীন শ্ৰমিক, আৰু দক্ষ শ্ৰমিক প্ৰকল্পটোৰ বাবে আনিবলগীয়া হ'ব পাৰে। কিন্তু শ্ৰমিক অনুপ্ৰৱেশৰ আশংকা বিবেচনা কৰি, স্থানীয় লোকসকলৰ স্বাৰ্থ সম্ভাব্য নেতিবাচক প্ৰভৱৰ পৰা ৰক্ষা কৰিবলৈ উপযুক্ত যত্ন লোৱাটো প্ৰয়োজন। | জনসাধাৰণৰ জীৱিকাৰ ওপৰত প্ৰকল্পটোৰ প্ৰভাৱ আৰএপি-ৰ বাবে মূল্যায়ন কৰা হৈছিল<br><br>অনুসূচীত জাতি আৰু জনজাতিসকলৰ ওপৰত প্ৰকল্পটোৰ প্ৰভাৱ আইপিডিপি-ত বিবেচনা কৰা হৈছিল।<br><br>দুটা ৰাজহুৱা সম্পত্তি, এটা টিকট ঘৰ আৰু এটা পানীৰ বিপণী স্থানান্তৰ কৰা ব্যতিৰেকে এই প্ৰকল্পটোৰ দ্বাৰা কোনো ব্যক্তি প্ৰত্যক্ষভাৱে প্ৰভাৱিত নহ'ব। এইবোৰ সঠিকভাৱে স্থানান্তৰ কৰা হ'ব।<br><br>লিংগ উন্নয়ন পৰিকল্পনাত পৰ্য্যাপ্ত সুৰক্ষা আৰু সা-সুবিধা আগবঢ়াই আইডব্লিউটি সেৱাত জিবিভি আশংকাটোক সম্বোধন কৰা হৈছে।<br><br>শ্ৰমিক অনুপ্ৰৱেশ ব্যৱস্থাপনা পৰিকল্পনাই শ্ৰমিক অনুপ্ৰৱেশৰ আশংকাসমূহ সম্বোধন কৰিবলৈ যত্ন ল'ব। |
| উত্তৰ গুৱাহাটী | গাওঁবাসীসকলৰ বাবে ব্ৰহ্মপুত্ৰ নদীখন জীৱনৰেখা | ক্ষতিপূৰণৰ লগতে আৰএপি-ত |

| | | |
|---|---|---|
| | যিহেতু ফেৰী সেৱাৰ তেওঁলোকৰ জীৱিকাত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আছে। পুৰুষ আৰু মহিলাই চাকৰি কৰিবলৈ, তেওঁলোকৰ সামগ্ৰী বিক্ৰী কৰিবলৈ আৰু কেঁচা সামগ্ৰী ক্ৰয় কৰিবলৈ নদীখন পাৰ হয়। মহিলাসকলৰ বাবে সুযোগ সীমিত যাৰ মনোযোগৰ প্ৰয়োজন।<br><br>অনুসূচীত জনজাতিৰ লোকসকলৰ ওপৰত প্ৰকল্পটোৱে কোনো প্ৰভাৱ নেপেলায় কিন্তু অনুসূচীত জাতিৰ ৩ টা স্বত্বহীন দখলৰ ওপৰত প্ৰভাৱ পৰিব।<br><br>ফেৰী সেৱাৰ উন্নয়নৰ দ্বাৰা পৰ্য্যটন ক্ষেত্ৰখনত অধিক সুযোগসম্পন্ন জীৱিকাৰ বাট মুকলি হ'ব পাৰে।<br><br>যিহেতু ৰাজ্যৰ জিবিভি সূচক উচ্চ হয় প্ৰকল্প উপাদানসমূহ পৰিকল্পনা কৰোতে বিশেষ যত্ন লোৱা হ'ব।<br><br>বাহিৰৰ শ্ৰমিকৰ প্ৰয়োজনীয়তাৰ ওপৰত নিৰ্ভৰ কৰি, সকলো কৰ্মস্থলীতে শ্ৰমিক অনুপ্ৰৱেশৰ আশংকা সাধাৰণতে থাকে। | জীৱিকাৰ সুৰক্ষাৰ বাবে প্ৰভাৱিত অঞ্চলত দোকান চলাই থকা প্ৰত্যক্ষভাৱে প্ৰভাৱিত অনুসূচীত জাতিৰ লোকসকলক উপযুক্তভাৱে বিবেচনা কৰা হ'ব<br><br>পিআইএ-ত অনুসূচীত জনজাতিৰ কোনো সমাজ নাই গতিকে তেওঁলোকৰ ওপৰত কোনো প্ৰভাৱ নাই।<br><br>লিংগ উন্নয়ন পৰিকল্পনাই পৰ্য্যাপ্ত সা-সুবিধা আৰু সুৰক্ষা ব্যৱস্থা আগবঢ়াই সকলো মহিলা যাত্ৰীৰ স্বাৰ্থ সুৰক্ষিত কৰাটো নিশ্চিত কৰিছে।<br><br>শ্ৰমিক অনুপ্ৰৱেশ ব্যৱস্থাপনা পৰিকল্পনাই শ্ৰমিক অনুপ্ৰৱেশৰ লগত সম্পৰ্কিত সকলো আশংকা ৰোধ কৰাৰ পদক্ষেপ ল'ব আৰু ইয়াক ন্যূনতম ৰাখি স্থানীয় শ্ৰমিকসকলক সৰ্ব্বাধিক সুযোগ প্ৰদান কৰা হ'ব। |
| অফলামুখ | নিৰ্মাণৰ সময়ত এইটো ঘাট অঞ্চলত চৰকাৰী ভূমিত চাহদোকান আৰু পাণদোকান চলি থকা ৯ টা স্বত্বহীন দখল প্ৰভাৱিত হ'ব আৰু সেইবাবে স্থানান্তৰ কৰাৰ প্ৰয়োজন হ'ব।<br><br>গতিকে গাঁথনিৰ ক্ষতি যিবোৰ অস্থায়ী চালিবোৰ আৰু জীৱিকাৰ ক্ষতি হ'ল প্ৰত্যক্ষ প্ৰভাৱ।<br><br>দুটাৰ বাহিৰে এই সকলোবোৰ স্বত্বহীন দখল অনুসূচীত জাতিৰ অন্তৰ্গত আৰু অসুৰক্ষিতও হয়। তেওঁলোকক পাৰ্শ্বৱৰ্তী অঞ্চললৈ পুনৰ্বাসন আৰু এই দোকানসমূহে নিৰ্মাণৰ পাছত যাত্ৰীসকললৈ সেৱা আগবঢ়াবলৈ চলাবলৈ অনুমতি দিয়া ইত্যাদি আৰএপি-ত বিবেচনা কৰা হৈছে | প্ৰত্যক্ষভাৱে প্ৰভাৱিত লোকসকলক তেওঁলোকৰ গাঁথনিৰ ক্ষতিৰ বাবে ক্ষতিপূৰণ দিয়া আৰু ওচৰৰ স্থানলৈ স্থানান্তৰ আৰু পুনৰ্বাসন কৰা হ'ব। তেওঁলোকে অধিকাৰত্বৰ সংৰচনা অনুসৰি ক্ষতিপূৰণ লাভ কৰিব।<br><br>অনুসূচীত জাতিৰ সম্প্ৰদায় আৰু তেওঁলোকৰ জীৱিকাৰ ওপৰত পৰা প্ৰভাৱ আৰএপি-ত সঠিকভাৱে সমাধান কৰা হ'ব।<br><br>আইপিডিপি আৰু আৰএপি-ত নদীদ্বীপটোৰ সাংস্কৃতিক প্ৰমূল্যবোধৰ গুৰুত্বপূৰ্ণ প্ৰক্ষেপ সংৰক্ষণ কৰিব |

| | | |
|---|---|---|
| | ৰাজ্যখনত লিংগ ভিত্তিক হিংসাৰ আশংকা হাৰ বিবেচনা কৰি, মহিলা যাত্ৰী আৰু ব্যৱসায়ীসকলৰ নিৰাপত্তা আৰু সুৰক্ষাৰ নিশ্চয়তা প্ৰদান কৰাটো গুৰুত্বপূৰ্ণ।<br><br>প্ৰকল্পৰ কামৰ বাবে নিযুক্ত কৰা শ্ৰমশক্তিৰ ওপৰত নিৰ্ভৰ কৰি শ্ৰমিক অনুপ্ৰৱেশৰ আশংকাটো এটা সমস্যা হোৱাৰ সম্ভাৱনা আছে | লাগিব।<br><br>লিংগ উন্নয়ন পৰিকল্পনাই সকলো লিংগ আশংকাৰ সমস্যা আগুৰি ল'ব<br><br>শ্ৰমিক অনুপ্ৰৱেশ ব্যৱস্থাপনা পৰিকল্পনাই শ্ৰমিক অনুপ্ৰৱেশৰ প্ৰয়োজনীয়তা আৰু আশংকাৰ কাৰকসমূহ নিয়ন্ত্ৰণ কৰিবলৈ সকলো প্ৰতিৰোধী পদক্ষেপ গ্ৰহণ কৰিব। |

### ৩.৪. প্ৰকল্প আক্ৰান্ত পৰিয়ালৰ ওপৰত প্ৰভাৱ

তলত আলোচনা কৰা ধৰণে জনসাধাৰণ আৰু তেওঁলোকৰ পৰিয়ালৰ ওপৰত এই প্ৰকল্পটোৰ প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰভাৱ আছে।

ঘাটসমূহৰ নিৰ্মাণ মুখ্যত: নদীৰ ওপৰত হ'ব বাবে এই প্ৰকল্পটোৰ বাবে প্ৰয়োজনীয় ভূমি সীমিত। তথাপিও বিশেষকৈ প্ৰৱেশমূলক পথ আৰু গাড়ী ৰখা স্থান ইত্যাদি আৰু এই ৩ টা অগ্ৰাধিকাৰপ্ৰাপ্ত ঘাটৰ বাবে কিছুপৰিমাণৰ ভূমিৰ প্ৰয়োজন, ১-ম পৰ্য্যায়ৰ সময়ত, চৰকাৰী ভূমি উপলদ্ধ আৰু ব্যক্তিগত ভূমি অধিগ্ৰহণ কৰাৰ প্ৰয়োজন নাই। চৰকাৰী ভূমি দখল কৰি থকা কিছুমান অবৈধ বানিজ্যিক অৱস্থান প্ৰভাৱিত হ'ব আৰু তেওঁলোকৰ অধিকাৰত্বৰ সংৰচনা অনুসৰি ক্ষতিপূৰণ আগবঢ়াই তেওঁলোকক পুনৰ্সংস্থাপিত কৰা হ'ব। ঘাটৰ সমীপৱৰ্ত্তী স্থান দখল কৰি থকা কিছু লোকো নিৰ্মাণকাৰ্য্য পৰ্য্যায়ৰ সময়ত প্ৰভাৱিত হ'ব পাৰে আৰু বিশ্ব বেংক অ'পি ৪.১২ আৰু অসম এলএআৰআৰ নিয়মাৱলী ২০১৫-ৰ সৈতে সংগতিপূৰ্ণভাৱে প্ৰস্তুত কৰা মতে তেওঁলোকৰ জীৱিকাৰ ক্ষতিৰ বাবে অধিকাৰত্বৰ সংৰচনা অনুসৰি ক্ষতিপূৰণ দিয়া হ'ব।

### ৩.৫. আক্ৰান্ত সম্পত্তিৰ ওপৰত প্ৰভাৱত গুৰুতৰ আৰু লঘু প্ৰভাৱ

**গুৰুতৰ প্ৰভাৱ:** ৩ টা ঘাট নিৰ্মাণৰ বাবে প্ৰস্তাৱিত ভূমিসমূহ চৰকাৰী সম্পত্তি আৰু কিছুমান স্বত্বহীন দখলত সৰু চাহ / পাণৰ দোকান অস্থায়ী চাল আৰু খোলা বিপণীত চলি আছে। ১৩ টা এনে গাঁথনি পাৰ্শ্বৱৰ্ত্তী স্থানলৈ স্থানান্তৰ কৰিবৰ বাবে চিনাক্ত কৰা হৈছে আৰু তেওঁলোকৰ জীৱিকা প্ৰভাৱিত হ'ব।

**লঘু প্ৰভাৱ:** লাচিত ঘাট অঞ্চলত কিছুমান উমৈহতীয়া সম্পত্তি সম্পদ যেনে এক খোৱা পানীৰ বিপণী, গাড়ী ৰখাৰ স্থান আৰু এটা টিকট ঘৰ প্ৰভাৱিত হ'ব যিবোৰ স্থানান্তৰ বা ঘাটৰ বাবে প্ৰস্তাৱিত কাৰিকৰী নক্সা অনুসৰি অব্যাহত ৰাখিবলৈ অনুমোদন কৰিব পৰা যাব।নিৰ্মাণ পৰ্য্যায়ৰ পাছত এইবোৰৰ কিছুমান দোকানৰ পুনৰ্স্থিতিৰ সম্ভাৱনা কতৃপক্ষৰ দ্বাৰা হ'ব পাৰে, যিহেতু এই সেৱাসমূহ যাত্ৰীসকলৰ বাবেও প্ৰয়োজনীয়।

প্ৰকল্পটোৰ গুৰুতৰ / লঘু প্ৰভাৱসমূহৰ বৃত্তান্ত তলত দেখুওৱা হৈছে

| পিএপি-ৰ শ্ৰেণী | প্ৰভাৱৰ প্ৰকাৰ | অধিকাৰত্বৰ একক | প্ৰভাৱিত সংখ্যা |
|---|---|---|---|

| | | | |
|---|---|---|---|
| স্বত্বধাৰী – কৃষিজাত ভূমি / অ-কৃষিজাত ভূমি / বাৰীৰে সৈতে ঘৰ থকা মাটি আৰু সম্পদ | ভূমি আৰু সম্পদৰ ক্ষতি | শূণ্য | শূণ্য |
| স্বত্বধাৰী – আৱাসিক গাঁথনি | গাঁথনিৰ ক্ষতি | শূণ্য | শূণ্য |
| স্বত্বধাৰী – বাণিজ্যিক / উদ্যোগিক গাঁথনি | গাঁথনিৰ ক্ষতি | শূণ্য | শূণ্য |
| স্বত্বধাৰী – আৱাসিক তথা বাণিজ্যিক / উদ্যোগিক গাঁথনি | গাঁথনিৰ ক্ষতি | শূণ্য | শূণ্য |
| ভাড়াতীয়া – আৱাসিক / বাণিজ্যিক / উদ্যোগিক গাঁথনি | গাঁথনিৰ ক্ষতি | শূণ্য | শূণ্য |
| স্বত্বহীন দখলকাৰী – আৱাসিক / বাণিজ্যিক / আৱাসিক তথা বাণিজ্যিক | গাঁথনিৰ ক্ষতি | ৪ টা | ৪ |
| বেদখলকাৰী | গাঁথনি/সম্পদৰ ক্ষতি | শূণ্য | শূণ্য |
| অসুৰক্ষিত গোটসমূহলৈ অতিৰিক্ত সহায় | শূণ্য | শূণ্য | শূণ্য |
| দোকানৰ কৰ্মচাৰী, কৃষি শ্ৰমিক, আধিয়াৰ | জীৱিকাৰ ক্ষতি | ৯ টা গাঁথনি | ৯ |
| সামূহিক সম্পদ | সামূহিক সম্পদৰ ক্ষতি | পানীৰ বিপণী<br>টিকট ঘৰ | ১<br>১ |
| অনুসূচীত জনজাতি | ভূমি, গাঁথনি বা দুয়োটাৰে ক্ষতি | শূণ্য | শূণ্য |
| ব্যাহতকৰণ | অস্থায়ী প্ৰভাৱ | ৯ টা গাঁথনি | ৯ |

**প্ৰভাৱিত গাঁথনিসমূহৰ প্ৰকাৰ**

| **গাঁথনি** | **মুঠ প্ৰভাৱিত গাঁথনি** | **গুৰুতৰ প্ৰভাৱ** | | | **লঘু প্ৰভাৱ** | | |
|---|---|---|---|---|---|---|---|
| | | পকী | আধা পকী | কেঁচা | পকী | আধা পকী | কেঁচা |
| আৱাসিক | শূণ্য | অ.প্ৰ. | অ.প্ৰ. | অ.প্ৰ. | অ.প্ৰ. | অ.প্ৰ. | অ.প্ৰ. |
| বাণিজ্যিক | ৪ | শূণ্য | ৪ | শূণ্য | শূণ্য | শূণ্য | শূণ্য |
| মিশ্ৰিত | শূণ্য | অ.প্ৰ. | অ.প্ৰ. | অ.প্ৰ. | অ.প্ৰ. | অ.প্ৰ. | অ.প্ৰ. |
| অন্যান্য (পশু-চালি) | শূণ্য | অ.প্ৰ. | অ.প্ৰ. | অ.প্ৰ. | অ.প্ৰ. | অ.প্ৰ. | অ.প্ৰ. |

**অন্যান্য সম্পদৰ ক্ষতি**

| **সম্পদৰ প্ৰকাৰ** | **সংখ্যা** |
|---|---|
| গছ | ২ |
| কুঁৱা | শূণ্য |
| চাৰিসীমাৰ দেৱাল | ১ |
| পোহনীয়া জন্তুৰ চালি | শূণ্য |
| জলাধাৰ / পানীৰ বিপণী | ১ |
| অন্যান্য | বাগিছা |

**সাংস্কৃতিক সম্পত্তি আৰু সামূহিক সম্পদৰ ওপৰত প্ৰভাৱ**

আভ্যন্তৰীণ জল কতৃপক্ষৰ মালিকানাধীন এক বন্ধ চৌহদত থকা আৰু ৰাইজৰ দ্বাৰা ব্যৱহৃত কিছুমান সামূহিক সম্পদ যেনে পানীৰ বিপণী, বাগিছা, টিকট ঘৰ ইত্যাদি লাচিত ঘাট প্ৰকল্পৰ দ্বাৰা প্ৰভাৱিত হ'ব। কিন্তু এই গাঁথনিসমূহ, ৰাইজৰ অবিৰত ব্যৱহাৰৰ বাবে চৌহদত এক সঠিক স্থানলৈ স্থানান্তৰ কৰিব পৰা যাব। কোনো সাংস্কৃতিক সম্পত্তি প্ৰভাৱিত নহ'ব।

## ৪.১. বৈধ আৰু নীতি ধ্যান-ধাৰণাৰ গাঁথনি

এই প্ৰকল্পটোৰে সূচনা কৰা ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ প্ৰাসংগিক নিয়মসমূহ আৰু বিধিসমূহ আৰু সামাজিক সুৰক্ষাৰ ওপৰত বিশ্ব বেংকৰ নীতিসমূহ তলত সূচীবদ্ধ কৰা হৈছে:

| **সামাজিক নিৰাপত্তাৰ ওপৰত বিশ্ব বেংকৰ নীতি** | **ভাৰত চৰকাৰ ও অসম চৰকাৰৰ নিয়মসমূহ আৰু বিধিসমূহ** |
|---|---|
| অ'পি/বিপি ৪.১২: অনিচ্ছিক পুনৰ্সংস্থাপন<br><br>অ'পি/বিপি ৪.১০: থলুৱা জনসাধাৰণ<br><br>অ'পি/বিপি ৪.১১: ভৌতিক সাংস্কৃতিক সম্পদ<br><br>শ্ৰমিক অনুপ্ৰৱেশৰ বিৰূপ প্ৰভাৱৰ ওপৰত ইএছএছই টোকা | আৰএফচিটিএলএআৰ এণ্ড আৰ, ২০১৩<br><br>অসম উচিত ক্ষতিপূৰণৰ অধিকাৰ আৰু স্বচ্ছ ভূমি অধিগ্ৰহণ আৰু পুনৰ্বাসন আৰু পুনৰ্সংস্থাপন (আৰএফচিটিএলএআৰ এণ্ড আৰ) নিয়মাৱলী, ২০১৫ |

## ৫.১. অধিকাৰত্বৰ সংৰচনা

বিভিন্ন শ্ৰেণীৰ বাবে অধিকাৰত্বৰ ধ্যান-ধাৰণাৰ গাঁথনি অসম চৰকাৰৰ আৰএফচিটিএলএআৰআৰ ২০১৩ আৰু আৰএফচিটিএলএআৰআৰ নিয়মাৱলী, ২০১৫ আৰু অনিচ্ছিক পুনৰ্সংস্থাপনৰ ওপৰত বিশ্ব বেংক অ'পি ৪.১২-ৰ ওপৰত ভিত্তি কৰি সংৰচিত হৈছে। আৰ এণ্ড আৰ অধিকাৰত্বৰ উদ্দেশ্যে ক্ষতিৰ প্ৰতিটো শ্ৰেণী দুটা গুৰুতৰ শ্ৰেণী, ১. স্বত্বধাৰীসকলৰ বাবে (মালিক) আৰু ২. অ-স্বত্বধাৰী (বাণিজ্যিক/আৱাসিক সম্পত্তিত ভাড়াতীয়া, বেদখলকাৰী, অবৈধ অৱস্থান)-ৰ অধীনত শ্ৰেণীভুক্ত কৰা হৈছে।

অধিকাৰত্বৰ সংৰচনা, তেওঁলোকৰ স্বাৰ্থৰ সুৰক্ষিত কৰিবলৈ আৰু যদি নহয়, তেওঁলোকৰ অভাৱ-অভিযোগসমূহ সঠিক কতৃপক্ষক দাখিল কৰি সঠিক সময়ত সমাধান লাভ কৰাটো সুনিশ্চিত কৰিবলৈ, পিএপি-সকলক জনোৱা হ'ব।

**আৰএফচিটিএলএআৰআৰ ২০১৩, এলএআৰআৰএ, ২০১৫ ও বিশ্ব বেংক নীতিৰ অধীনত আৰ এণ্ড আৰ অধিকাৰত্বৰ সংৰচনা**

| ক্ৰ. নং. | প্ৰভাৱ শ্ৰেণী | অধিকাৰসমূহ | | কাৰ্য্যকৰীকৰণৰ নিৰ্দেশাৱলী |
|---|---|---|---|---|
| **ভাগ I. স্বত্বধাৰী – ব্যক্তিগত সম্পত্তিৰ ক্ষতিৰ বাবে ক্ষতিপূৰণ** | | | | |
| ১ | ভূমিৰ ক্ষতি (কৃষি-বিষয়ক, বাৰীৰে সৈতে ঘৰ থকা, বাণিজ্যিক বা অন্যান্য বা ভূমিৰ সৈতে সংলগ্ন সম্পদ) | ১.১. | স্থানান্তৰৰ ব্যয় হিচাপত মাটিৰ বাবে ক্ষতিপূৰণ বা য'ত সম্ভৱপৰ মাটিৰ বাবে মাটি | আৰএফচিটিএলএআৰআৰ আইন, ২০১৩-ৰ ব্যৱস্থা অনুসৰি অৰ্হতাসম্পন্ন কতৃপক্ষই ভূমি অধিগ্ৰহণ কৰিব।<br><br>মাটিৰ বাবে স্থানান্তৰৰ মূল্য হ'ব: (i) ভাৰতীয় ষ্টাম্প আইন, ১৮৯৯ অনুসৰি বিক্ৰী দলিল বা বিক্ৰীৰ বাবে কৰা চুক্তিৰ পঞ্জীয়নৰ বাবে বজাৰ মূল্য, যি অঞ্চলত মাটিটুকুৰা অৱস্থিত; বা (ii) সবাটোকৈ কাষত থকা গাওঁ বা সবাটোকৈ কাষত থকা সমীপৱৰ্তী অঞ্চলৰ একে প্ৰকাৰৰ মাটিৰ গড় বিক্ৰী মূল্য, পূৰ্বৱৰ্তী ৩ বছৰৰ বিক্ৰী দলিলসমূহৰ সৰ্বাধিক ৫০%-ৰ পৰা নিৰ্ধাৰিত কৰা; বা (iii) পিপিপি বা ব্যক্তিগত কোম্পানীৰ বাবে আদায় দিবলৈ সন্মত হোৱা পৰিমাণ (যিটো পৰিমাণ অধিক হয়)।<br><br>লগতে ১০০% নিচুকনি মূল্য আৰু মূল্য প্ৰদান কৰিব বুলি জাননী প্ৰদান কৰা দিনৰ পৰা ১২% সুত।<br><br>গ্ৰামীন অঞ্চলৰ মাটিৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা গুণীকৃত কাৰক, চহৰাঞ্চলৰ পৰা প্ৰভাবিত অঞ্চললৈ দুৰত্বৰ ওপৰত ভিত্তি কৰি, প্ৰয়োগ কৰা হ'ব।<br><br>কোনো ক্ষেত্ৰত কোনো মাটিৰ কেৱল এটা অংশহে প্ৰভাবিত হয় আৰু মাটি অধিগ্ৰহণৰ ফলস্বৰূপে মাটিডোখৰ অৰ্থনৈতিকভাৱে অনগ্ৰসৰ পৰিগণিত হোৱা বা জটিলতৰ হৈ পৰাৰ আধাৰত ইয়াৰ মালিকে সমগ্ৰ মাটিডোখৰক অধিগ্ৰহণ হোৱাটো বিচাৰে, যিকোনো |

| ক্ৰ. নং. | প্ৰভাৱ শ্ৰেণী | অধিকাৰসমূহ | | কাৰ্য্যকৰীকৰণৰ নিৰ্দেশাৱলী |
|---|---|---|---|---|
| | | | | অৰ্হতাসম্পন্ন কতৃপক্ষই আৰএফচিটি-এলএআৰআৰ আইন, ২০১৩-ৰ ৯৪ ধাৰা অনুসৰি মাটি অধিগ্ৰহণৰ প্ৰক্ৰিয়াটো পুনৰ আৰম্ভ নকৰাকৈ অৱশিষ্ট মাটিখিনিৰ বাবে অতিৰিক্ত মূল্য প্ৰদান কৰিব পাৰে।<br><br>মাটি/নিৰ্মাণ কাৰ্য্যৰ সৈতে জড়িত হৈ থকা সম্পত্তিৰ মূল্য: গছ/শস্য ইত্যাদিৰ বাবে ক্ষতিপূৰণ।<br><br>ক) আৰএফচিটি-এলএআৰআৰ আইন, ২০১৩-ৰ ২৯(৩) ধাৰাৰ অধীনত নগদ ক্ষতিপূৰণ প্ৰাক্কলন কৰিব:<br><br>i. কাঠ গছৰ বাবে বন বিভাগ<br>ii. শস্যৰ বাবে ৰাজ্যিক কৃষি বিভাগ<br>iii. উদ্যান, বহুবৰ্ষজীৱী গছৰ বাবে উদ্যান বিভাগ<br>iv. গছ-গছনি, শস্য আৰু বহুবৰ্ষজীৱীৰ লোকচানৰ বাবে স্বত্বাধিকাৰী আৰু বৈধ দখলদাৰীলৈ নগদ সাহায্য<br>খ) ফল, শস্যৰ খেতি চপাবলৈ প্ৰভাবিত পক্ষসমূহলৈ তিনি মাহৰ আগতীয়া জাননী দিয়া হয়। চলিত শস্যৰ ক্ষেত্ৰত প্ৰভাবিত পক্ষসমূহে শস্য চপাবলৈ তিনি মাহৰ আগতীয়া জাননী লাভ কৰিব, বা তাৰ পৰিৱৰ্তে উপৰত নিৰ্ধাৰণ কৰা অনুসৰি ক্ষতিপূৰণ লাভ কৰিব। |
| ২ | গাঁথনিৰ লোকচান (ঘৰ, দোকান, নিৰ্মাণ কাৰ্য্য বা স্থাৱৰ সম্পত্তি) | ২.১ | স্থানান্তৰিত মূল্যত ক্ষতিপূৰণ | গাঁথনিসমূহৰ আৰু অন্যান্য স্থাৱৰ সম্পত্তিৰ বজাৰ মূল্য প্ৰাসংগিক বুনিয়াদী হাৰৰ অনুসূচী (এছআৰ) ৰ ওপৰত ভিত্তি কৰি মূল্যাৱনমন অবিহনে নিৰ্ধাৰণ কৰা হব।<br><br>লগতে ১০০% নিচুকনি মূল্য<br><br>আংশিকভাৱে প্ৰভাৱিত গাঁথনিসমূহৰ বাবে, যদি |

| ক্ৰ. নং. | প্ৰভাৱ শ্ৰেণী | অধিকাৰসমূহ | | কাৰ্য্যকৰীকৰণৰ নিৰ্দেশাৱলী |
|---|---|---|---|---|
| | | | | অৱশিষ্ট অংশখিনি অনুপযোগী হয়, পিএপি-য়ে সম্পূৰ্ণ গাঁথনিটোৰ বাবে ক্ষতিপূৰণ দাবী কৰিব পৰাৰ বিকল্প থাকিব। |
| **ভাগ II. পুনৰ সংস্থাপন আৰু পূৰ্ণ বন্দবস্ত – মাটিৰ মালিক আৰু পৰিয়ালসমূহ দুয়োটাৰ যাৰ জীৱিকা প্ৰাথমিকভাৱে অধিগ্ৰহণ কৰা মাটিৰ ওপৰত নিৰ্ভৰশীল** | | | | |
| ৩ | মাটিৰ লোকচান | ৩.১ | প্ৰকল্পটোত প্ৰভাৱিত প্ৰতিটো পৰিয়ালৰ ন্যূনতম এজন সদস্যক কৰ্মসংস্থাপন বা প্ৰয়োজনানুসাৰে প্ৰয়োজনীয় ক্ষেত্ৰত উপযুক্ত প্ৰশিক্ষণ আৰু দক্ষতা বিকাশৰ ব্যৱস্থাৰে এনে আন প্ৰকল্পত চাকৰিৰ ব্যৱস্থা কৰি দিয়া আৰু ন্যূনতম মজুৰিতকৈ যাতে কম হাৰত নহয়।<br><br>বা<br><br>প্ৰতিটো প্ৰভাৱিত পৰিয়ালবৰ্গলৈ ৫,০০,০০০/- টকা এককালীন সাহায্য<br><br>বা<br><br>বাৰ্ষিক ভাট্টা নীতি যে ২০ বছৰৰ বাবে প্ৰতিমাহে ২,০০০/- টকাকৈ প্ৰদান কৰা হ'ব চিপিআইএএল-ৰ সঠিক অনুক্ৰমণ কৰি | |
| | | ৩.২ | প্ৰকল্পটোৰ বাবে স্থানান্তৰিত হ'ব লগীয়া হোৱা প্ৰভাৱিত পৰিয়ালবৰ্গসমূহলৈ এক বছৰৰ বাবে মাহে ৩,০০০/- টকাকৈ জীৱন নিৰ্বাহ ভাট্টা | |

| ক্ৰ. নং. | প্ৰভাৱ শ্ৰেণী | অধিকাৰসমূহ | | কাৰ্য্যকৰীকৰণৰ নিৰ্দেশাৱলী |
|---|---|---|---|---|
| | | ৩.৩ | প্ৰকল্পটোৰ বাবে স্থানান্তৰিত হ'ব লগীয়া হোৱা প্ৰভাৱিত পৰিয়ালবৰ্গসমূহলৈ ৫০,০০০/- টকাৰ পৰিবহণ সাহায্য | |
| | | ৩.৪ | এখন চৰণীয়া জন্তুৰ চালি বা সাধাৰণ দোকান হেৰুৱা সকলৰ বাবে ন্যূনতম ২৫,০০০/- টকা এককালীন সাহায্য। | চৰণীয়া জন্তুৰ চালি বা সাধাৰণ দোকানে চৰকাৰৰ অধিসূচনাৰ দ্বাৰা উল্লেখ কৰা পৰিমাণত বা ন্যূনতম পঁচিছ হাজাৰ টকা ঘটনা অনুসাৰে চৰণীয়া জন্তুৰ চালি বা সাধাৰণ দোকান নিৰ্মাণ কৰিবলৈ এককালীন অৰ্থনৈতিক সাহায্য লাভ কৰিব।<br><br>সাধাৰণ দোকান বোলোতে বাণিজ্যিক বিপণী, বিক্ৰেতাই য'ত ব্যৱসায় কৰে অন্তৰ্ভুক্ত হৈ থাকে।<br><br>পিআইইউ আৰু কাৰ্য্য প্ৰয়োগকাৰী বেচৰকাৰী সংস্থা/এজেঞ্চিয়ে এনে পিএপিসমূহৰ সৈতে মন্ত্ৰনা কৰিব আৰু সাধাৰণ দোকান শ্ৰেণীৰ অধীনত নগদ সাহায্য পাবলগীয়া বিপণী আৰু বিক্ৰেতাসকলৰ জীৱন নিৰ্বাহ ভাট্টাৰ প্ৰয়োজনীয়তা মূল্যায়ন কৰিব।<br><br>চৰণীয়া জন্তুৰ চালি বুলি চৰণীয়া জন্তুসমূহ ৰাখিবলৈ দীৰ্ঘম্যাদী হিচাপত গঢ়া যিকোনো স্থায়ী, অৰ্ধ-স্থায়ী নিৰ্মাণ বা সাময়িক চালি বুজোৱা হৈছে। |
| | | ৩.৫ | স্থানান্তৰ হ'ব লগীয়া প্ৰভাৱিত পৰিয়ালবৰ্গলৈ ৫০,০০০/- টকা এককালীন পুনৰ সংস্থাপন ভাট্টা | |
| | | ৩.৬ | প্ৰকল্পটোৰ বাবে অনুসূচীত অঞ্চলৰ পৰা স্থানচ্যুত হৈ পুনৰ স্থাপিত হ'বলৈ প্ৰয়োজন হোৱা অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি পৰিয়াল সমূহৰ বাবে অতিৰিক্ত ৫০,০০০/- টকা এককালীন সাহায্য | |
| ৪ | বাসস্থানৰ লোকচান | ৪.১ | যিসকলে পুনৰ স্থাপিত হ'ব লাগিব তেওঁলোকৰ বাবে এটা | চহৰাঞ্চলত ৫০ বৰ্গমিটাৰ বা যদি বিচাৰে তাৰ পৰিৱৰ্তে নগদ ধন (ঘৰৰ পৰিৱৰ্তে নগদ ধন |

| ক্ৰ. নং. | প্ৰভাৱ শ্ৰেণী | অধিকাৰসমূহ | | কাৰ্য্যকৰীকৰণৰ নিৰ্দেশাৱলী |
|---|---|---|---|---|
| | | | বিকল্প ঘৰ, গ্ৰামীণ অঞ্চলৰ বাবে পিএমাৱাই-জি বিৰৰণ অনুসৰি আৰু নগৰাঞ্চলৰ বাবে ন্যূনতম ৫০ বৰ্গমিটাৰৰ এক নিৰ্মিত ঘৰ;<br><br>বা<br><br>যদি বিচাৰে ঘৰৰ পৰিৱৰ্তে নগদ ধন, সেইসকলৰ বাবে যাৰ বাৰীৰে সৈতে ঘৰ থকা মাটি নাই আৰু প্ৰভাৱিত অঞ্চলত একেলেথাৰিকৈ ন্যূনতম ৩-বছৰ কালৰ বাবে বাস কৰি আছে। | গ্ৰামীণ অঞ্চলৰ বাবে ভাৰত চৰকাৰৰ পিএমএৱাই-জি মানদণ্ড মতে হ'ব ১,২০,০০০/- টকা (সমতল) আৰু ১,৩০,০০০/- টকা (কষ্টসাধ্য ক্ষেত্ৰ) আৰু চহৰাঞ্চলৰ বাবে হ'ব ১,৫০,০০০/- টকা)<br><br>উপৰত সূচীত সুবিধাসমূহ বাৰীৰে সৈতে ঘৰ নথকা প্ৰভাৱিত পৰিয়ালসমূহলৈ আগবঢ়োৱা হ'ব আৰু যিসকলে জাননী পোৱা দিনৰ পূৰ্বে প্ৰভাৱিত অঞ্চলটোত একেলেথাৰিকৈ ন্যূনতম তিনি বছৰৰ ধৰি বসবাস কৰি আছে আৰু অনৈচ্ছিকভাৱে এনে অঞ্চলৰ পৰা স্থানচ্যুত হৈছে।<br><br>এই সুবিধা মালিকৰ তথা স্বত্বহীন শ্ৰেণীৰ বাসস্থান আৰু বাণিজ্যিক উদ্দেশ্যসমূহ সম্পূৰ্ণ কৰা মিশ্ৰিত ব্যৱহাৰৰ নিৰ্মাণ কাৰ্য্যলৈকো আগবঢ়াব পৰা যায়। |
| | | ৪.২ | প্ৰকল্পটোত প্ৰভাৱিত প্ৰতিটো পৰিয়ালৰ ন্যূনতম এজন সদস্যক কৰ্মসংস্থাপন বা প্ৰয়োজনানুসাৰে প্ৰয়োজনীয় ক্ষেত্ৰত উপযুক্ত প্ৰশিক্ষণ আৰু দক্ষতা বিকাশৰ ব্যৱস্থাৰে এনে আন প্ৰকল্পত চাকৰিৰ ব্যৱস্থা কৰি দিয়া আৰু ন্যূনতম মজুৰিতকৈ যাতে কম হাৰত নহয়।<br><br>বা<br><br>প্ৰতিটো প্ৰভাৱিত পৰিয়ালবৰ্গলৈ ৫,০০,০০০/- টকা এককালীন সাহায্য<br><br>বা | |



ARKITECHNO

| ক্ৰ. নং. | প্ৰভাৱ শ্ৰেণী | অধিকাৰসমূহ | | কাৰ্য্যকৰীকৰণৰ নিৰ্দেশাৱলী |
|---|---|---|---|---|
| | | | বাৰ্ষিক ভাড়া নীতি যে ২০ বছৰৰ বাবে প্ৰতিমাহে ২,০০০/- টকাকৈ প্ৰদান কৰা হ'ব চিপিআইএএল-ৰ সঠিক অনুক্ৰমণ কৰি | |
| | | ৪.৩ | প্ৰকল্পটোৰ বাবে স্থানান্তৰিত হ'ব লগীয়া হোৱা প্ৰভাৱিত পৰিয়ালবৰ্গসমূহলৈ এক বছৰৰ বাবে মাহে ৩,০০০/- টকাকৈ জীৱন নিৰ্বাহ ভাট্টা | |
| | | ৪.৪ | প্ৰকল্পটোৰ বাবে স্থানান্তৰিত হ'ব লগীয়া হোৱা প্ৰভাৱিত পৰিয়ালবৰ্গসমূহলৈ ৫০,০০০/- টকাৰ পৰিবহণ সাহায্য | |
| | | ৪.৫ | এখন চৰণীয়া জন্তুৰ চালি বা সাধাৰণ দোকান হেৰুৱা সকলৰ বাবে ন্যূনতম ২৫,০০০/- টকা এককালীন সাহায্য। | চৰণীয়া জন্তুৰ চালি বা সাধাৰণ দোকানে চৰকাৰৰ অধিসূচনাৰ দ্বাৰা উল্লেখ কৰা পৰিমাণত বা ন্যূনতম পঁচিছ হাজাৰ টকা ঘটনা অনুসাৰে চৰণীয়া জন্তুৰ চালি বা সাধাৰণ দোকান নিৰ্মাণ কৰিবলৈ এককালীন অৰ্থনৈতিক সাহায্য লাভ কৰিব।<br><br>সাধাৰণ দোকান বোলোতে বাণিজ্যিক বিপণী, বিক্ৰেতাই য'ত ব্যৱসায় কৰে অন্তৰ্ভুক্ত হৈ থাকে<br><br>পিআইইউ আৰু কাৰ্য্য প্ৰয়োগকাৰী বেচৰকাৰী সংস্থা/এজেঞ্চিয়ে এনে পিএপিসমূহৰ সৈতে মন্ত্ৰনা কৰিব আৰু সাধাৰণ দোকান শ্ৰেণীৰ অধীনত নগদ সাহায্য পাবলগীয়া বিপণী আৰু বিক্ৰেতাসকলৰ জীৱন নিৰ্বাহ ভাট্টাৰ প্ৰয়োজনীয়তা মূল্যায়ন কৰিব।<br><br>চৰণীয়া জন্তুৰ চালি বুলি চৰণীয়া জন্তুসমূহ ৰাখিবলৈ দীৰ্ঘম্যাদী হিচাপত গঢ়া যিকোনো স্থায়ী, অৰ্ধ-স্থায়ী নিৰ্মাণ বা সাময়িক চালি বুজোৱা হৈছে। |
| | | ৪.৬ | এজন কাৰিকৰ বা স্বনিয়োজিত | |

| ক্র. নং. | প্ৰভাৱ শ্ৰেণী | অধিকাৰসমূহ | | কাৰ্য্যকৰীকৰণৰ নিৰ্দেশাৱলী |
|---|---|---|---|---|
| | | | আৰু যিয়ে পুনৰ স্থাপিত হ'ব লাগিব এনে প্ৰতিটো প্ৰভাৱিত পৰিয়ালৰ বাবে ২৫,০০০/- টকা এককালীন সাহায্য। | |
| | | ৪.৭ | স্থানান্তৰ হ'ব লগীয়া প্ৰভাৱিত পৰিয়ালবৰ্গলৈ ৫০,০০০/- টকা এককালীন পুনৰ সংস্থাপন ভাট্টা | |
| | | ৪.৮ | প্ৰকল্পটোৰ বাবে অনুসূচীত অঞ্চলৰ পৰা স্থানচ্যুত হৈ পুনৰ স্থাপিত হ'বলৈ প্ৰয়োজন হোৱা অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি পৰিয়াল সমূহৰ বাবে অতিৰিক্ত ৫০,০০০/- টকা এককালীন সাহায্য | |
| | | ৪.৯ | প্ৰভাৱিত সামগ্ৰীসমূহ ধ্বংস হোৱাৰ পৰা ৰক্ষা কৰাৰ অধিকাৰ | |
| ৫ | দোকান / ব্যৱসায় / বাণিজ্যিক গাঁথনিৰ লোকচান | ৫.১ | প্ৰকল্পটোত প্ৰভাৱিত প্ৰতিটো পৰিয়ালৰ ন্যূনতম এজন সদস্যক কৰ্মসংস্থাপন বা প্ৰয়োজনানুসাৰে প্ৰয়োজনীয় ক্ষেত্ৰত উপযুক্ত প্ৰশিক্ষণ আৰু দক্ষতা বিকাশৰ ব্যৱস্থাৰে এনে আন প্ৰকল্পত চাকৰিৰ ব্যৱস্থা কৰি দিয়া আৰু ন্যূনতম মজুৰিতকৈ যাতে কম হাৰত নহয়।<br><br>বা<br><br>প্ৰতিটো প্ৰভাৱিত পৰিয়ালবৰ্গলৈ ৫,০০,০০০/- টকা এককালীন সাহায্য<br><br>বা<br><br>বাৰ্ষিক ভাট্টা নীতি যে ২০ বছৰৰ বাবে প্ৰতিমাহে ২,০০০/- | |


ARKITECHNO

| ক্ৰ. নং. | প্ৰভাৱ শ্ৰেণী | অধিকাৰসমূহ | | কাৰ্য্যকৰীকৰণৰ নিৰ্দেশাৱলী |
|---|---|---|---|---|
| | | | টকাকৈ প্ৰদান কৰা হ'ব চিপিআইএএল-ৰ সঠিক অনুক্ৰমণ কৰি | |
| | | ৫.২ | প্ৰকল্পটোৰ বাবে স্থানান্তৰিত হ'ব লগীয়া হোৱা প্ৰভাৱিত পৰিয়ালবৰ্গসমূহলৈ এক বছৰৰ বাবে মাহে ৩,০০০/- টকাকৈ জীৱন নিৰ্বাহ ভাট্টা | |
| | | ৫.৩ | প্ৰকল্পটোৰ বাবে স্থানান্তৰিত হ'ব লগীয়া হোৱা প্ৰভাৱিত পৰিয়ালবৰ্গসমূহলৈ ৫০,০০০/- টকাৰ পৰিবহণ সাহায্য। | |
| | | ৫.৪ | এজন কাৰিকৰ বা স্বনিয়োজিত বা সৰু ব্যৱসায়ী আৰু যিয়ে পুনৰ স্থাপিত হ'ব লাগিব এনে প্ৰতিটো প্ৰভাৱিত পৰিয়ালৰ বাবে ২৫,০০০/- টকা এককালীন সাহায্য। | |
| | | ৫.৫ | স্থানান্তৰ হ'ব লগীয়া প্ৰভাৱিত পৰিয়ালবৰ্গলৈ ৫০,০০০/- টকা এককালীন পুনৰ সংস্থাপন ভাট্টা | |
| | | ৫.৬ | প্ৰকল্পটোৰ বাবে অনুসূচীত অঞ্চলৰ পৰা স্থানচ্যুত হৈ পুনৰ স্থাপিত হ'বলৈ প্ৰয়োজন হোৱা অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি পৰিয়াল সমূহৰ বাবে অতিৰিক্ত ৫০,০০০/- টকা এককালীন সাহায্য | |
| | | ৫.৭ | প্ৰভাৱিত সামগ্ৰীসমূহ ধ্বংস হোৱাৰ পৰা ৰক্ষা কৰাৰ অধিকাৰ | |
| **ভাগ III. স্বত্বহীন দখলকাৰী আৰু বেদখলকাৰীৰ প্ৰতি প্ৰভাৱ – যিসকল আহ-যাহৰ অধিকাৰ থকা স্থানত অৱস্থিত যি স্থানত কোনো মাটি অধিগ্ৰহণ কৰা হোৱা নাই** | | | | |
| ৬ | স্বত্বহীন দখলকাৰীৰ প্ৰতি | ৬.১ | **বাসস্থানৰ লোকচান** | কেৱল সেইসকল প্ৰত্যক্ষভাৱে প্ৰভাৱিত স্বত্বহীন |

| ক্র. নং. | প্ৰভাৱ শ্ৰেণী | অধিকাৰসমূহ | | কাৰ্য্যকৰীকৰণৰ নিৰ্দেশাৱলী |
|---|---|---|---|---|
| | প্ৰভাৱ | ৬.১.১ | প্ৰভাৱিত গাঁথনি ধ্বংস কৰিবলৈ ১-মাহৰ জাননীৰ সৈতে গাঁথনিটোৰ বাবে মূল্যাৱনমন অবিহনে অনুসূচীত হাৰত ক্ষতিপূৰণ | দখলদাৰীসকল যিসকলে তাতে বসবাস কৰে সকলো সাহায্যৰ বাবে যোগ্য হ'ব।<br><br>চৰকাৰী মাটিত থকা গাঁথনিৰ মালিকসকলক যিয়ে তাত বাস নকৰে আৰু গাঁথনিটো ভাড়ালৈ দিছে গাঁথনিটোৰ বাবে ক্ষতিপূৰণ প্ৰদান কৰা হ'ব আৰু কোনো আন কোনো সাহায্য দিয়া নহ'ব। অধিবাসীগৰাকী (স্বত্বহীন দখলকাৰী) অন্যান্য সাহায্যসমূহৰ বাবে যোগ্য হ'ব। |
| | | ৬.১.২ | প্ৰভাৱিত সামগ্ৰীসমূহ ধ্বংস হোৱাৰ পৰা ৰক্ষা কৰাৰ অধিকাৰ | |
| | | ৬.১.৩ | ঘৰ নিৰ্মাণৰ অনুদান ১,২০,০০০/- সেই সকলোৰে বাবে যিয়ে স্থানান্তৰ কৰিব লাগিব আৰু কোনো ঘৰ নায়।<br><br>যিসকলৰ কোনো বাসস্থান স্থলী নাই তেওঁলোকৰ বাবে ৫০,০০০/- অতিৰিক্ত বাসস্থান স্থলী অনুদান | |
| | | ৬.১.৪ | এককালীন জীৱন নিৰ্বাহ ভাট্টা ১৮,০০০/- টকা | |
| | | ৬.১.৫ | *স্থানান্তৰ সাহায্য ১০,০০০/- টকা* | |
| | | ৬.২<br><br>৬.২.১ | **দোকানৰ লোকচান**<br><br>প্ৰভাৱিত গাঁথনি ধ্বংস কৰিবলৈ ১-মাহৰ জাননীৰ সৈতে গাঁথনিটোৰ বাবে মূল্যাৱনমন অবিহনে অনুসূচীত হাৰত ক্ষতিপূৰণ | কেৱল সেইসকল প্ৰত্যক্ষভাৱে প্ৰভাৱিত স্বত্বহীন দখলদাৰীসকল যিসকলে তাতে ব্যৱসায় কৰে সকলো সাহায্যৰ বাবে যোগ্য হ'ব।<br><br>চৰকাৰী মাটিত থকা গাঁথনিৰ মালিকসকলক যিয়ে তাত ব্যৱসায় নকৰে আৰু গাঁথনিটো ভাড়ালৈ দিছে গাঁথনিটোৰ বাবে ক্ষতিপূৰণ প্ৰদান কৰা হ'ব আৰু কোনো আন কোনো সাহায্য দিয়া নহ'ব। অধিবাসীগৰাকী (স্বত্বহীন দখলকাৰী) অন্যান্য সাহায্যসমূহৰ বাবে যোগ্য হ'ব। |
| | | ৬.২.২ | প্ৰভাৱিত সামগ্ৰীসমূহ ধ্বংস হোৱাৰ পৰা ৰক্ষা কৰাৰ অধিকাৰ | |
| | | ৬.২.৩ | প্ৰভাৱিত দোকান পুনৰ্নিৰ্মাণৰ বাবে এককালীন পুনৰ সংস্থাপন অনুদান ২৫,০০০/- টকা | |
| | | ৬.২.৪ | এককালীন জীৱন নিৰ্বাহ ভাট্টা ১৮,০০০/- টকা | |
| | | ৬.২.৫ | *স্থানান্তৰ সাহায্য ১০,০০০/- টকা* | |

| ক্ৰ. নং. | প্ৰভাৱ শ্ৰেণী | অধিকাৰসমূহ | | কাৰ্য্যকৰীকৰণৰ নিৰ্দেশাৱলী |
|---|---|---|---|---|
| | | ৬.৩<br>৬.৩.১ | **বিপণী / ৰাস্তাৰ বিক্ৰেতাসমূহ**<br>সমীপৱৰ্তী এলেকাকৈ পুনৰ স্থাপিত হৈ অৰ্থনৈতিক কাৰ্য্যকলাপ অব্যাহত ৰাখিবলৈ ১-মাহৰ আগতীয়া জাননী | সাধাৰণ দোকান বোলোতে বাণিজ্যিক বিপণী, বিক্ৰেতাই য'ত ব্যৱসায় কৰে অন্তৰ্ভুক্ত হৈ থাকে। সাধাৰণ দোকানে চৰকাৰৰ অধিসূচনাৰ দ্বাৰা উল্লেখ কৰা পৰিমাণত বা ন্যূনতম পঁচিছ হাজাৰ টকা ঘটনা অনুসাৰে সাধাৰণ দোকান নিৰ্মাণ কৰিবলৈ এককালীন অৰ্থনৈতিক সাহায্য লাভ কৰিব।<br><br>পিআইইউ আৰু কাৰ্য্য প্ৰয়োগকাৰী বেচৰকাৰী সংস্থা/এজেঞ্চিয়ে এনে পিএপিসমূহৰ সৈতে মন্ত্ৰনা কৰিব আৰু সাধাৰণ দোকান শ্ৰেণীৰ অধীনত নগদ সাহায্য পাবলগীয়া বিপণী আৰু বিক্ৰেতাসকলৰ জীৱন নিৰ্বাহ ভাট্টাৰ প্ৰয়োজনীয়তা মূল্যায়ন কৰিব। |
| | | ৬.৩.২ | নিৰ্মাণ কাৰ্য্য চলা কালত জীৱিকা অস্থায়ীভাবে ক্ষতি হোৱাৰ পৰিপ্ৰেক্ষিতত, মাহে ৩,০০০/- টকাৰ এক জীৱিকা নিৰ্বাহ ভাট্টা জীৱিকা ব্যাহত হোৱা সময়খিনিৰ বাবে দিয়া হ'ব, সৰ্ব্বাধিক ৩-মাহৰ বাবে | |
| | | ৬.৩.৩ | যদি পুনৰ সংস্থাপন সমীপৱৰ্তী এলেকালৈ হয় আৰু অৰ্থনৈতিক কাৰ্য্যকলাপ একেটা এলেকাত সম্ভৱপৰ নহয়, তেতিয়া এককালীন পুনৰ সংস্থাপন অনুদান ২৫,০০০/- টকা | |
| | | ৬.৪<br>৬.৪.১ | **খেতি**<br>চলিত শস্যৰ খেতি চপাবলৈ ৩-মাহৰ আগতীয়া জাননী বা চলিত শস্যৰ বজাৰ মূল্যৰ ক্ষতিপূৰণ | |
| ৭ | বেদখলকাৰীৰ প্ৰতি প্ৰভাৱ | ৭.১<br>৭.১.১ | **খেতি**<br>চলিত শস্যৰ খেতি চপাবলৈ ৩-মাহৰ আগতীয়া জাননী বা চলিত শস্যৰ বজাৰ মূল্যৰ ক্ষতিপূৰণ যদি জাননী দিয়া নহয় | লোকচান হোৱা চলিত শস্যৰ বজাৰ মূল্য পিআইইউ-য়ে কৃষি আৰু উদ্যান বিভাগৰ সৈতে মন্ত্ৰনাৰ দ্বাৰা নিৰ্ধাৰণ কৰিব |
| | | ৭.২<br>৭.২.১ | **গাঁথনি**<br>বেদখলকাৰী গাঁথনি ধ্বংস কৰিবলৈ ১-মাহৰ জাননী | |
| | | ৭.২.২ | গাঁথনিটোৰ প্ৰভাৱিত অংশৰ বাবে | বাণিজ্যিক গাঁথনি আৰু অন্যান্য স্থাৱৰ সম্পত্তিৰ |

| ক্ৰ. নং. | প্ৰভাৱ শ্ৰেণী | অধিকাৰসমূহ | | কাৰ্য্যকৰীকৰণৰ নিৰ্দেশাৱলী |
|---|---|---|---|---|
| | | | মূল্যাৱনমন অবিহনে অনুসূচীত হাৰত ক্ষতিপূৰণ | মূল্য প্ৰাসংগিক বুনিয়াদী হাৰৰ অনুসূচী (এছআৰ)-ৰ ওপৰত ভিত্তি কৰি মূল্যাৱনমন অবিহনে নিৰ্ধাৰণ কৰা হ'ব। |
| **ভাগ IV. অসুৰক্ষিত পৰিয়ালবৰ্গৰ প্ৰতি প্ৰভাৱ** | | | | |
| ৮ | অসুৰক্ষিত পৰিয়ালবৰ্গ | ৮.১ | পুনৰ স্থাপন কৰিব লগা ডিএইচ-সকললৈ এককালীন সাহায্য ২৫,০০০/- টকা | প্ৰভাৱিত পৰিয়ালটোৰ এগৰাকী প্ৰাপ্তবয়স্ক সদস্য, যাৰ জীৱিকা প্ৰভাৱিত হৈছে, দক্ষতা বিকাশৰ বাবে সুবিধা পাব।<br><br>পিআইইউ-য়ে, বেচৰকাৰী সংস্থাৰ সহায়ত যুটীয়া সত্যতা নিৰূপণ আৰু **আৰএপি** উন্নিত কৰাৰ সময়ত স্থানান্তৰিত হোৱা যোগ্য অসুৰক্ষিত লোকসকলক চিনাক্ত কৰিব আৰু পিএপি-ৰ সৈতে মন্ত্ৰনা কৰি প্ৰয়োজনীয় প্ৰশিক্ষণ নিৰূপণ প্ৰক্ৰিয়া চলাব যাতে পিএপি-ৰ দক্ষতা আৰু অঞ্চলৰ সৈতে খাপ খোৱা সঠিক প্ৰশিক্ষণ কাৰ্য্যক্ৰম বিকাশ কৰিব পাৰে।<br><br>পিআইইউ আৰু বেচৰকাৰী সংস্থাই সংগতি থকা প্ৰশিক্ষণ অনুষ্ঠানৰ সৈতে মন্ত্ৰনা কৰি সঠিক প্ৰশিক্ষক বা স্থানীয় সা-সুবিধা চিনাক্ত কৰি উলিয়াব |
| **ভাগ V. অসামৰিক কাৰ্য্যৰ সময়ত  প্ৰভাৱ** | | | | |
| ৯ | গাঁথনি / সম্পত্তি / গছ / শস্যত প্ৰভাৱ | ৯.১ | অসামৰিক কাৰ্য্যৰ বাবে সম্পত্তি/ গছ-গছনি/ ব্যক্তিগত শস্য/ ৰাজহুৱা মাটিৰ হোৱা ক্ষয়-ক্ষতিৰ বাবে ক্ষতিপূৰণ দিবলৈ ঠিকাদাৰ গৰাকী বাধ্য | এই ব্যৱস্থাসমূহৰ বাধ্যতা পিআইইউ-য়ে সুনিশ্চিত কৰিব |
| ১০ | ব্যক্তিগত মাটিৰ ব্যৱহাৰ | ১০.১ | ঠিকাদাৰগৰাকীয়ে মাটিৰ মালিকৰ পৰা আগতীয়াকৈ লিখিত সন্মতি গ্ৰহণ কৰিব আৰু ব্যক্তিগত মাটি সামগ্ৰী মজুত কৰিবলৈ বা যান- | |


ARKITECHNO

| ক্র. নং. | প্ৰভাৱ শ্ৰেণী | অধিকাৰসমূহ | | কাৰ্য্যকৰীকৰণৰ নিৰ্দেশাৱলী |
|---|---|---|---|---|
| | | | বাহন আৰু যন্ত্ৰপাতি চলাচল কৰিবলৈ ব্যৱহাৰ কৰা বা শিবিৰ স্থাপন কৰা বা অসামৰিক কাৰ্য্যকলাপৰ সময়ত পোতাশালৰ বিকল্প হিচাপে ব্যৱহাৰ কৰাৰ বাবদ চুক্তি কৰা ভাড়া পৰিশোধ কৰিব। | |
| **ভাগ VI. সামূহিক সম্পত্তি সম্পদসমূহ** | | | | |
| ১১ | সামূহিক সম্পত্তি সম্পদসমূহ যেনে উপাসনাস্থলীসমূহ, সমজুৰা অট্টালিকাসমূহ, বিদ্যালয় ইত্যাদিত প্ৰভাৱ | ১১.১ | পুনৰ্স্থাপন বা পুনৰূদ্ধাৰ, যদি সম্ভৱপৰ, বা প্ৰতিষ্ঠাপন মূল্যত নগদ ক্ষতিপূৰণ | |
| ১২ | পানী যোগান, বিদ্যুৎ যোগান আদিৰ দৰে আৱশ্যকীয়তাসমূহ | ১২.১ | পুনৰ্স্থাপিত কৰা হ'ব আৰু অসামৰিক কাৰ্য্যকলাপ আৰম্ভ হোৱাৰ পূৰ্বে সেৱা পুনৰাম্ভ হ'ব। | পিআইইউ-য়ে নিশ্চিত কৰিব যে অসামৰিক কাৰ্য্যকলাপ আৰম্ভ হোৱাৰ পূৰ্বে আৱশ্যকীয়তাসমূহ অসামৰিক কাৰ্য্যৰ সময়সূচীৰ সৈতে সংগতি ৰাখি পুনৰ্স্থাপিত হয়। |
| **ভাগ VII. অপ্ৰত্যাশিত প্ৰভাৱসমূহ** | | | | |
| বাস্তৱায়িতকৰণৰ সময়ত সন্মুখীন হোৱা অপ্ৰত্যাশিত প্ৰভাৱসমূহ আৰএফচিটিএলআৰ ২০১৩-ৰ মৌলিক ভিত্তি/ বিশ্ব বেংকৰ সুৰক্ষা নীতি অনুসৰি মোকাবিলা কৰা হ'ব। | | | | |

## ৫.২. ভূমি অধিগ্ৰহণ প্ৰক্ৰিয়া

এইটো প্ৰকল্পত , ব্যক্তিগত ভূমিৰ অধিগ্ৰহণ, যদি প্ৰয়োজন হয়, আইনখনত উল্লেখ কৰা ধৰণে, ৰাজহ বিভাগৰ দ্বাৰা ভূমি অধিগ্ৰহণ প্ৰক্ৰিয়াৰ দ্বাৰা কৰা হ'ব।

## ৫.৩. জীৱিকা পুনৰ্প্ৰতিষ্ঠা আৰু আয় উৎপাদনৰ পৰিকল্পনা

প্ৰকল্পটোৱে কাৰোৱে জীৱিকাৰ স্থায়ী ক্ষতি নকৰে কিন্তু অস্থায়ী স্থানান্তৰ কৰিব পাৰে, বিশেষকৈ নিৰ্মাণ পৰ্য্যায়ৰ সময়ত। নদীৰ কাষৰ ভূমি মূখ্যত: চৰকাৰৰ হয় আৰু বিভিন্ন বাণিজ্যিক স্বৎভীন দখলকাৰীয়ে এই ভূমি দখল কৰি থাকিব পাৰে আৰু কেৱল এইসকল লোক প্ৰভাৱিত হ'ব। নিৰ্মাণকাৰ্য্য আৰম্ভ হোৱাৰ পূৰ্ব্বে, স্থানান্তৰৰ বাবে আগতীয়া জাননী দি তেওঁলোকক অঞ্চলটোৰ পৰা খালী কৰা হ'ব। নিৰ্মাণ কৰা সৰহভাগ গাঁথনিয়েই অস্থায়ী চালি আৰু বিপণী যিবোৰ

সহজেই স্থানান্তৰ কৰিব পৰা যায়। এই দোকানীসকলৰ সৈতে মন্ত্ৰণা কৰাৰ সময়ত তেওঁলোকে কৈছিল, তেওঁলোকে প্ৰতিবছৰে বানপানীৰ ঋতুৰ সময়ত যেতিয়া পানীৰ স্তৰ এই দোকানবোৰৰ মজিয়া পৰ্য্যন্ত বৃদ্ধি পাই, স্থানান্তৰ কৰে। এনে ঋতুত আনকি ফেৰী সেৱাও বন্ধ হয় আৰু ফেৰী সেৱা আৰু যাত্ৰীৰ অবিহনে কোনো ব্যৱসায় নহয়। গতিকে ই পাৰস্পৰিকভাৱে নিৰ্ভৰশীল।

### ৫.৪. অসুৰক্ষিত শ্ৰেণীবৰ্গলৈ আৰএণ্ডআৰ সহযোগিতা

প্ৰকল্প অঞ্চল দখল কৰি থকা অসুৰক্ষিত শ্ৰেণীবৰ্গ বিশ্ব বেংকৰ নিয়ম অনুসৰি ক্ষতিপূৰণৰ বাবে উপযুক্ত, যি প্ৰতিটো পৰিয়ালৰ বাবে ভাৰতীয় টকা ৫০০০০/- এককালীন ক্ষতিপূৰণ হয়। কিন্তু এই তিনিটা অগ্ৰাধিকাৰপ্ৰাপ্ত ঘাটৰ প্ৰকল্প অঞ্চলৰ ভিতৰত কোনো পৰিয়ালে দখল কৰি থকা নাই।

### ৫.৫. স্বত্বহীন দখলকাৰীলৈ ক্ষতিপূৰণৰ পেকেজ

স্বত্বহীন দখলকাৰীলৈ দিয়া ক্ষতিপূৰণৰ পেকেজত গাঁথনিৰ স্থানান্তৰৰ ব্যয়, স্থানান্তৰ ভাট্টা আৰু জীৱিকাৰ ক্ষতি/প্ৰতিষ্ঠাপন ক্ষতিপূৰণ, অনুসূচীত জাতি/জনজাতি বাবে অতিৰিক্ত আৰএণ্ডআৰ ভাট্টা আৰু প্ৰশিক্ষণ ভাট্টা/সহযোগিতা অন্তৰ্ভুক্ত হৈ আছে।

### ৫.৬. দক্ষতা প্ৰশিক্ষণ / দক্ষতা উন্নীতকৰণ প্ৰশিক্ষণ


প্ৰভাৱিত পৰিয়ালসমূহৰ সদস্যসকলে অৰ্থপূৰ্ণ জীৱিকাত জড়িত হ'বলৈ দক্ষতা বৃদ্ধিৰ বাবে, আৰএপি কাৰ্য্যকৰীকৰণ কৰা বেচৰকাৰী সংস্থাসমূহৰ সহযোগিতাত দক্ষতা প্ৰশিক্ষণ/দক্ষতা উন্নীতকৰণ প্ৰশিক্ষণ ইত্যাদি পিআইএ-ত আয়োজন কৰা হ'ব। এনে প্ৰশিক্ষণৰ বাবে মহিলাসকলে বিশেষ সহযোগিতা লাভ কৰিব। প্ৰয়োজনীয়তা চিনাক্তকৰণৰ টিএনএ অনুশীলনী কৰা হ'ব আৰু প্ৰয়োজনীয় প্ৰশিক্ষণ আগবঢ়াবলৈ সঠিক দক্ষতা বিকাশ এজেঞ্চিবোৰক নিযুক্ত কৰা হ'ব।

### ৬.১. প্ৰতিষ্ঠানিকব্যৱস্থা

এআইডব্লিউটিডিএছ-ৰ ভিতৰত স্থাপিত প্ৰকল্প ব্যৱস্থাপনা গোট (পিএমইউ)-য়ে প্ৰকল্প কাৰ্য্যকৰীকৰণৰ নেতৃত্ব বহন কৰিব। ৰাজ্যিক প্ৰকল্প সঞ্চালক (পিডি) পিএমইউ-ৰ মূৰব্বী হ'ব আৰু এগৰাকী অতিৰিক্ত ৰাজ্যিক প্ৰকল্প সঞ্চালক আৰু এগৰাকী উপ-সঞ্চালকে পিএমইউ-ৰ কাম চলাই যাবলৈ তেখতক সহযোগিতা আগবঢ়াব। পিএমইউ-ত সামাজিক উন্নয়ন বিশেষজ্ঞ সামগ্ৰীক সমন্বয় আৰু সামাজিক সুৰক্ষা সঁজুলিসমূহ – এছএমএফ/আৰপিএফ/আইপিডিএফ আৰু উপ-প্ৰকল্প এছএমপি/আৰএপি তথা আইপিডিপি-ৰ নিৰীক্ষণৰ বাবে দায়বদ্ধ হ'ব। সামাজিক বিশেষজ্ঞৰ কাৰ্য্যকলাপ পিএমইউ-য়ে মণ্ডলীয় কাৰ্য্যালয় (ই. এণ্ড এছ চেল)-ত এছএমপি/আৰএপি তথা আইপিডিপি কাৰ্য্যকৰীকৰণৰ সম্বন্ধীয় কৰ্মক্ষেত্ৰ পৰ্য্যায়ৰ কাৰ্য্যকলাপৰ সমন্বয়ৰ ভাৰপ্ৰাপ্ত, তাৰ বাবে নিয়োজিত, এক আৰএপি কাৰ্য্যকৰীকৰণ এজেঞ্চী (সহযোগী বেচৰকাৰী সংস্থা)-ৰ পৰা সহযোগিতাৰ সৈতে নিৰীক্ষণ কৰিব।

**সংগঠন মানচিত্ৰ :**

**প্ৰবাহক্ৰম নক্সা – খ : পৰিবেশ আৰু সামাজিক নিৰাপত্তা ব্যৱস্থাৰ ব্যৱস্থাপনাৰ বাবে প্ৰতিষ্ঠানিক ব্যৱস্থা** [১]




[১] **প্ৰবাহক্ৰম নক্সা - - - জিআৰএম কাৰ্য্যপদ্ধতি অনুসৰণ কৰাৰ বাবে**

## ৭.১. নাগৰিক জড়িতকৰণ

অংশীদাৰসকলৰ স্বাৰ্থ নিৰূপণ কৰিবলৈ আৰু প্ৰকল্পৰ বাবে সমৰ্থন আৰু প্ৰকল্প প্ৰস্তুতকৰণৰ সময়ছোৱাত তেওঁলোকৰ ধ্যান-ধাৰণা আৰু মতামত বিবেচনা কৰিবলৈ সামূহিক মন্ত্ৰণা কৰা হ'ব। পৰিসৰ আৰু পৰীক্ষণ প্ৰতিবেদনসমূহ আৰু সামাজিক ব্যৱস্থাপনা ধ্যান-ধাৰণা প্ৰতিবেদনসমূহ প্ৰস্তুতকৰণৰ আৰু অংশীদাৰসকলৰ পৰামৰ্শসমূহ একত্ৰীকৃত কৰাৰ পাছত এনে মন্ত্ৰণাসমূহ গুৱাহাটী আৰু মাজুলীত সম্পূৰ্ণ হৈছে। এছআইএ-ৰ বাবে প্ৰতিবেদনসমূহ প্ৰকাশ কৰিবলৈ সাজু হোৱাৰ পাছতেইএছআইএ-ৰ প্ৰতিবেদনৰ ওপৰত অতিৰিক্ত মন্ত্ৰণা কৰিবলৈ সময়সূচী নিৰ্ধাৰিত আছে। এনে মন্ত্ৰণাসমূহে আশংকা ন্যূনতম আৰু আদ্যোপান্ত প্ৰকল্পটোৰ জীৱন কালত প্ৰকল্প প্ৰভাৱিত পক্ষসমূহৰ সৈতে ফলপ্ৰসু আৰু সামগ্ৰিক জড়িতকৰণ উন্নত কৰাত সহায় কৰিব। এইটোৱে লগতে প্ৰকল্প তথ্য অংশীদাৰসকলৰ সৈতে সঠিক আৰু সময়োচিতভাৱে ভগাই লোৱা সহজসাধ্য কৰিব।

সামাজিক সুৰক্ষা সঁজুলিসমূহৰ বাবে উন্মুক্তকৰণৰ প্ৰয়োজনীয়তা

| সঁজুলি | উন্মুক্তকৰণৰ প্ৰয়োজনীয়তা | | | চুড়ান্ত প্ৰতিবেদনৰ উন্নীতকৰণ | পুন:-উন্মুক্তকৰণ |
|---|---|---|---|---|---|
| | অনুবাদ | উন্মুক্তকৰণ | ৰাজহুৱা মন্ত্ৰণা | | |
| | | | | | |
| বিনা ভূমি | ২১ ফেব্ৰুৱাৰী | গাওঁৰ স্তৰত | দুখন আঞ্চলিক | ১৮/০২/২০১৯ | আৰএপি অন্তৰ্ভুক্ত |


ARKITECHNO

| | | | | | |
|---|---|---|---|---|---|
| অধিগ্ৰহণৰ অগ্ৰাধিকাৰ বন্দৰসমূহৰ বাবে এছআইএ অন্তৰ্ভুক্ত কৰি আৰএপি-সমূহ | ২০১৯-ত প্ৰতিবেদনটো অসমীয়াত অনুবাদ | পঞ্চায়ত, পৌৰ সভা বা পৌৰ নিগমত উন্মুক্তকৰণ হ'ব লগীয়া | বাতৰিকাকতত বিজ্ঞাপনৰ জৰিয়তে পূৰ্ব্বৰ্তী জাননী (ন্যূনতম ২ সপ্তাহ) | -ত সংশোধিত প্ৰতিবেদন দাখিল। | কৰি এছআইএ, এআইডব্লিউটিডিএছ -ৰ ৱেবচাইট আৰু বিশ্ব বেংকৰ বাহ্যিক ৱেবচাইটত প্ৰকাশ |
| ভূমি অধিগ্ৰহণৰ বাবে (ৰাজহ বিভাগ)ৰ দ্বাৰা এছএমপি অন্তৰ্ভুক্ত কৰি এছআইএ | আৰএফচিটিএল এআৰআৰ আইন ২০১৩-ৰ অনুচ্ছেদ আৰু অসম নিয়মাৱলী ২০১৫ নিয়ম ৫(১) অনুসৰি অসমীয়াত **এছআইএ জাননী** | গাওঁৰ স্তৰত পঞ্চায়ত, পৌৰ সভা বা পৌৰ নিগমত জাননী উন্মুক্তকৰণ হ'ব লাগিব। | - | - | - |
| | আৰএফচিটিএল এআৰআৰ আইন ২০১৩-ৰ অনুচ্ছেদ আৰু অসম নিয়মাৱলী ২০১৫ নিয়ম ৫(১) অনুসৰি অসমীয়াত **এছআইএ প্ৰতিবেদন আৰু এছআইএমপি** | গাওঁ পঞ্চায়ত আৰু পৌৰ কাৰ্য্যালয় আৰু জিলা উপায়ুক্তৰ কাৰ্য্যালয়, মহকুমাধিপতি আৰু চক্ৰ বিষয়ালৈ প্ৰতিবেদন আৰু পৰিকল্পনা বিতৰণ। নিয়ম ৫(৬) অসম নিয়মাৱলী ২০১৫ | ৰাজহুৱা অধিসূচনা, স্থানীয় বাতৰি কাকতত বিজ্ঞাপন, গাওঁ পঞ্চায়ত/পৌৰসভা আদিলৈ পোনপটীয়া যোগাযোগ ও সংশ্লিষ্ট জিলাখনৰ ৱেবচাইটত তথ্য আপল'ড কৰি আগতীয়া জাননী (ন্যূনতম ৩ সপ্তাহ)। নিয়ম ১০(৩), অসম নিয়মাৱলী ২০১৫ | নিয়ম ১১ অনুসৰি প্ৰতিবেদন আৰু এছআইএমপি উন্নীতকৰণ আৰু অনুবাদ।<br><br>এক বিশেষজ্ঞ গোটৰ দ্বাৰা এছআইএ প্ৰতিবেদনৰ মান নিৰূপণ। | বিশেষজ্ঞ গোটৰ পৰামৰ্শাৱলী গাওঁ পঞ্চায়ত আৰু পৌৰ কাৰ্য্যালয় আৰু জিলা উপায়ুক্ত, মহকুমাধিপতি আৰু চক্ৰ বিষয়াৰ কাৰ্য্যালয়লৈ দিব লাগে আৰু সংশ্লিষ্ট জিলাখনৰ ৱেবচাইটত আপল'ড কৰিব লাগিব। নিয়ম ১২(২) অসম নিয়মাৱলী ২০১৫<br><br>এছআইএ প্ৰতিবেদন আৰু এছআইএমপি, এআইডব্লিউটিডিএছ ৱেবচাইট আৰু বিশ্ব বেংকৰ বাহ্যিক |

| | | | | | |
|---|---|---|---|---|---|
| | | | | | ৱেবচাইটত প্ৰকাশ কৰিব লাগিব। |


## ৮.১. অভাৱ-অভিযোগ প্ৰতিবিধান প্ৰণালী (জিআৰএম)

অভিযোগসমূহ বহুধা অভাৱ -অভিযোগ গ্ৰহণকাৰী প্ৰণালীৰ দ্বাৰা পঞ্জীয়ণ কৰিব পাৰি , যেনে উৎসৰ্গীকৃত সহায়ৰেখা , ইমেইল, জিআৰচিএছ-লৈ চিঠি (জিআৰচি-ৰ এক মণ্ডলীয় পৰ্য্যায়ৰ বা উপৰৰ পৰ্য্যায় ) বা প্ৰতিটো প্ৰকল্প স্থান/ঘাটলৈ গৈ তাতে উপলব্ধ পৰামৰ্শ বাকচ বা অভাৱ-অভিযোগ লগবুকত এটা অভিযোগ পঞ্জীয়ন কৰি। লিংগ ভিত্তিক হিংসা (জিবিভি)-ৰ বাবে জিবিভি ঘটনাসমূহৰ নিৰাপদ আৰু নৈতিক নথিকৰণৰ সৈতে গোপন প্ৰতিবেদন দাখিল অন্তৰ্গত কৰি নিৰ্দিষ্ট কাৰ্য্যপদ্ধতি থাকিব। এক এছঅ'পি/হাতপুথি বিকাশ কৰা হ 'ব যি অভাৱ -অভিযোগসমূহ সময়োচিত আৰু ফলপ্ৰসুভাৱে মোকাবিলা কৰাৰ বাবে কাৰ্য্যপদ্ধতি নিৰ্ণয় কৰিব।

এক মণ্ডলীয় পৰ্য্যায়ৰ অভাৱ-অভিযোগ প্ৰতিবিধান কমিটি (জিআৰচি) কাৰ্য্যক্ষেত্ৰৰ পৰা অহা অভিযোগসমূহ সমাধান কৰিবলৈ স্থাপন কৰা হ'ব। জিআৰচি-ত মণ্ডলীয় কাৰ্য্যবাহী অভিযন্তা, সংশ্লিষ্ট জিলাখনৰ অতিৰিক্ত উপায়ুক্ত, সামাজিক বিষয়া-পিআইইউ, সংশ্লিষ্ট গাওঁখনৰ পঞ্চায়তৰ প্ৰতিনিধি/পৰিষদৰ সভাপতি বা তেওঁৰ কতৃত্বপ্ৰাপ্ত প্ৰতিনিধি আৰু আৰএপি কাৰ্য্যকৰীকৰণৰ সহযোগী বেচৰকাৰী সংস্থা। পিএপি-সমূহৰ লিখিত অভাৱ-অভিযোগসমূহ হয় সহযোগী বেচৰকাৰী সংস্থাটো নহ'লে বহুধা গ্ৰহণকাৰী প্ৰণালীৰ দ্বাৰা সমাধানৰ বাবে জিআৰচি-লৈ আনিব পাৰি। জিআৰচি-য়ে ৭ দিনৰ ভিতৰত অভিযোগটোত প্ৰতিক্ৰিয়া কৰিব। জিআৰচি-লৈ অনা অভিযোগটোৰ প্ৰতিবিধান অভিযোগ পোৱাৰ এক মাহ (৩০ দিন)ৰ ভিতৰত দিয়া হ'ব। জিআৰচি-ৰ সিদ্ধান্ত পিএপি-ৰ বাবে বাধ্যতামূলক নহ'ব, সেইটো হ'ল, জিআৰচি-ৰ সিদ্ধান্তই পিএপি-সকলক আদালতৰ কাষ চপাৰ পৰা বাধা নিদিয়ে।

যিসকল গোচৰীয়াই উচ্চতৰ কতৃপক্ষলৈ আবেদন কৰিব বিচাৰে পিএমইউ-ৰ জিআৰচি-লৈ পোনপটীয়াকৈ আবেদন কৰিব পাৰে, য'ত প্ৰকল্প সঞ্চালক, পৰামৰ্শদাতা (প্ৰশাসন), সামাজিক উন্নয়ন বিশেষজ্ঞ, অসম আইডব্লিউটি নিয়ন্ত্ৰণকাৰী কতৃপক্ষৰ সদস্য, ৰাজহ বিভাগৰ প্ৰতিনিধি, আৰু এক স্বীকৃতিপ্ৰাপ্ত বেচৰকাৰী সংস্থা অন্তৰ্ভুক্ত থাকে। অভুযোগ লাভ কৰাৰ পাছত, পৰামৰ্শদাতা (প্ৰশাসন) গৰাকীয়ে, যি পিএমইউ-ত জিআৰএম-ৰ ভাৰপ্ৰাপ্ত বিষয়া ৰূপে চিহ্নিত, ৭ দিতৰ ভিতৰত আবেদনকাৰীলৈ প্ৰাপ্তি স্বীকৃতি প্ৰদান কৰিব। অভিযোগ লাভ কৰাৰ ৩০ দিনৰ ভিতৰত পিএমইউ-ৰ দ্বাৰা গোচৰটো নিষ্পত্তি কৰা হ'ব। সমাধান হোৱা গোচৰসমূহৰ বৃত্তান্ত নথিকৃত কৰি ৱেবচাইটত প্ৰকাশ কৰা হ'ব।

অসম উচিত ক্ষতিপূৰণৰ অধিকাৰ আৰু স্বচ্ছ ভূমি অধিগ্ৰহণ আৰু পুনৰ্বাসন আৰু পুনৰ্সংস্থাপন (আৰএফচিটিএলএআৰ এণ্ড আৰ) নিয়মাৱলী, ২০১৫ (অনুচ্ছেদ ৪৫)-ৰ ব্যৱস্থা অনুসৰি ৰাজ্য চৰকাৰে এল.এ আৰু আৰ এণ্ড আৰ-ৰ বাবে ক্ষতিপূৰণ পৰিশোধৰ সমস্যাবোৰৰ সম্পৰ্কীয় বিবাদসমূহ চম্ভালিবলৈ এক পুনৰ্সংস্থাপন আৰু পুনৰ্বাসন কতৃপক্ষ মনোনীত কৰিব।




## ৯.১. লিংগ উন্নয়ন পৰিকল্পনা

প্ৰকল্পটোৰ সমগ্ৰ কালছোৱাত, প্ৰকল্পটোত লিংগ বৈষম্য হ্ৰাস কৰিবলৈ, বিভিন্ন লিংগ সম্পৰ্কীয় সমস্যা আৰু যিসকলে এই সমস্যাসমূহ মোকাবিলা কৰিব চিনাক্ত কৰা হৈছে, তাৰ বাবে তলত সাৰাংশকৃত কৰা ধৰণে এক লিংগ কাৰ্য্যব্যৱস্থা পৰিকল্পনা প্ৰস্তুত কৰা হৈছে

| প্ৰকল্পটোৰ পৰ্যায়সমূহ | কাৰ্য্যকলাপ | সূচকসমূহ | দায়িত্ব |
|---|---|---|---|
| পৰিকল্পনা | লিংগ অন্তৰ্ভুক্ত আইডব্লিউটি আৰু বাণিজ্য সুচলকৰণ অধ্যয়ন চলোৱা হৈছিল<br><br>নিৰাপত্তা আৰু সুৰক্ষাৰ প্ৰেক্ষাপটত মহিলা, শিশু, অসুখীয়া, বিশেষভাৱে সক্ষম সকলৰ প্ৰয়োজনীয়তাসমূহৰ | বহা, সামগ্ৰী থোৱা, প্ৰক্ষালন কক্ষ, প্ৰৱেশমূলক দলং, প্ৰতীক্ষা কক্ষ আদিৰ মহিলা / বৃদ্ধ / অক্ষমতা অনুকূল আৰ্হি, আলোকসজ্জা, নিৰীক্ষণ কেমেৰা স্থাপন কৰিব লাগিব। | আইএছডিপি মন্ত্ৰণাকাৰী;<br>ডিপিআৰ মন্ত্ৰণাকাৰী |


ARKITECHNO

| | | | |
|---|---|---|---|
| | সুবন্দৱস্ত কৰিবলৈ নৌবহৰ আৰু বন্দৰ আৰ্হিৰ আলেখ্যসমূহৰ সংশোধন। | প্ৰকল্প অঞ্চলত মহিলাসকলৰ মাজত নিৰাপত্তা বোধৰ মানোন্নয়ন | |
| প্ৰস্তুতকৰণ | এছআইএ-ৰ সময়ত লিংগবিষয়ক অপুঞ্জীভুত তথ্য সংগ্ৰহ কৰক আৰু ঘাট / জলযানসমূহৰ পৰিকল্পনা আৰু নক্সা প্ৰস্তুত কৰাৰ সময়ত ব্যৱহাৰকাৰীসকলৰ সৈতে মন্ত্ৰণাৰ আয়োজন কৰক।<br><br>এলএ আৰু আৰ এণ্ড আৰ:<br>পুৰুষ আৰু মহিলাৰ যৌথ একাউন্টত ক্ষতিপূৰণ পৰিশোধ কৰাটো নিশ্চিত কৰক;<br><br>মহিলা মূৰব্বী হোৱা পৰিয়াল সমূহক এককালীন সাহায্য<br><br>মহিলাৰ (আৰু আন অসুৰক্ষিত গোটসমূহৰ) দক্ষতা উন্নয়নৰ বাবে প্ৰশিক্ষণ নিশ্চিত কৰক | ব্যৱহাৰকাৰীৰ অনুকূল আৰ্হি<br><br>যুটীয়া নামত ধন বিতৰন পৰিশোধৰ সংখ্যা<br><br>মহিলা মূৰব্বী হোৱা পৰিয়ালৰ সংখ্যা যিসকলে এককালীন সাহায্য লাভ কৰিছিল<br><br>দক্ষতা উন্নয়ন কৰা প্ৰশিক্ষণ লাভ কৰা মহিলাৰ সংখ্যা | আইএছডিপি<br><br>এআইডব্লিউটিডিএছ -পিএমইউ আৰু পিআইইউ |
| নিৰ্মাণ | বিভিন্ন শ্ৰমিক কল্যাণ বিধানসমূহৰ ব্যৱস্থাসমূহ যিবোৰে ঠিকাদাৰসকলক ক্ৰেচে, কাম কৰাৰ পৰিবেশ আৰু পাৰিশ্ৰমিক আদিৰ দৰে বিষয়ত সা-সুবিধা প্ৰদানেৰে মহিলাসকলক কৰ্মীসকলক যোগদান কৰাত উৎসাহিত কৰিবলৈ নিৰ্দেশনা দিয়ে। | জড়িত দক্ষ / অদক্ষ / পেচাদাৰী মহিলাসকলৰ অনুপাত | আইএছডিপি আৰু নিৰ্মাণ ঠিকাদাৰসকল<br><br>এআইডব্লিউটিডিএছ -পিএমইউ আৰু পিআইইউ |
| পৰিচালনা | ↦ সেৱাসমূহৰ কঠোৰ সময়সূচী<br><br>↦ ব্যৱহাৰকাৰীসকলক শেহতীয়া জাননী দিবলৈ / সুচল স্থানত টিকটৰ | নাওঁৰ সময়সূচী আৰু তাক কঠোৰভাৱে পালন কৰাৰ বিষয়ে প্ৰদৰ্শন ফলক | এআইডব্লিউটিডিএছ |

| | | | |
|---|---|---|---|
| | সা-সুবিধাসমূহৰ এছএমএছ সজাগতা<br><br>↦ সুৰক্ষা - সুৰক্ষা নিৰ্দেশাৱলী প্ৰদৰ্শন কৰা, লাইফ জেকেট আগৰঢ়োৱা<br>↦ মহিলা বেপাৰীসকলৰ বেপাৰৰ পৰিসৰ বৃদ্ধি কৰিবলৈ মহিলাসকলে দুৰৰ বজাৰ ঢুকি পাবলৈ আৰু উভটি আহিবলৈ মহিলা বিশেষ নাওঁ সেৱা | নাওঁৰ কৰ্মচাৰীক নিৰাপত্তাৰ আৰু লিংগ সংবেদনশীলতাৰ বিষয়ে প্ৰশিক্ষণ।<br><br>মহিলা বিশেষ নাওঁ সেৱাৰ প্ৰচলন কৰা হ'ব | |
| জিআৰএম | ↦হেঁতা-টেপা সীমিত কৰিবলৈ পদক্ষেপ ,<br><br>↦মহিলা অধিকাৰৰ সজাগতা বৃদ্ধি আৰু জিআৰএম-ৰ প্ৰদৰ্শন ফলক।<br><br>↦ যাত্ৰাৰ পৰিবেশৰ নিৰাপত্তা বৃদ্ধি কৰিবলৈ নীৰৱ দৰ্শক প্ৰহৰা | ঘাটসমূহত অভিযোগ বাকচ<br><br>লিংগ সংবেদনশীলতাৰ প্ৰদৰ্শন ফলক<br><br>জিবিভি সমস্যাৰ বাবে কাম কৰা উৎসৰ্গীকৃত পোনপটীয়া সংযোগ | এআইডব্লিউটিডিএছ / জিআৰএম ব্যৱস্থাসমূহ |
| এম এণ্ড ই | মানদণ্ডৰ উন্নয়ন আৰু জলযানসমূহ – ৰাজহুৱা আৰু ব্যক্তিগত দুয়োটাই পৰীক্ষণ কৰিবলৈ নিয়ন্ত্ৰণকাৰী কতৃত্বৰ ব্যৱহাৰ | পৰীক্ষক পৰিদৰ্শকসকলৰ দ্বাৰা নিয়মীয়া পৰীক্ষণ আৰু প্ৰতিবেদন<br><br>সামাজিক হিচাপ পৰীক্ষা | এআইডব্লিউটিডি |

## ৯.২. মহিলা এছএইচজি-সকললৈ জীৱিকাৰ সহযোগিতাসমূহ

সামাজিক জৰীপসমূহত আৰু বিষয়বস্তু গোটৰ আলোচনাসমূহত মহিলাসকলে ব্যাখ্যা কৰে যে তেওঁলোকৰ অৰ্থনৈতিক নিৰ্ভৰশীলতাৰ বাবেই মুখ্যত: তেওঁলোক পিছপৰা। গতিকে তেওঁলোকে নিযুক্তিৰ বাবে দক্ষতা বিকাশৰ আৰু নিৰ্মাণ স্থলীত লগতে প্ৰকল্পৰ সৈতে সম্পৰ্কিত কিছুমান আঁচনিত বিভিন্ন নিযুক্তিৰ সুবিধাৰ বাবে দাবী জনাই। গতিকে প্ৰভাৱিত অঞ্চলৰ মহিলাসকলক অতিৰিক্ত নিযুক্তি আৰু উপাৰ্জন উৎপাদনৰ বাবে তেওঁলোকৰ দক্ষতা বৃদ্ধিকৰিবলৈ দক্ষতা উন্নয়ন প্ৰশিক্ষণ আগবঢ়োৱা হ'ব। সুক্ষ্ম পৰিকল্পনাসমূহ প্ৰস্তুত কৰাৰ সময়ত সহযোগী বেচৰকাৰী সংস্থাসমূহে প্ৰশিক্ষণৰ প্ৰয়োজনীয়তাৰ মূল্যায়ন নিৰূপণ কৰিব আৰু আৰএপি-ৰ অংশ হিচাপে সেই অঞ্চলটোত এনে প্ৰশিক্ষণ কাৰ্য্যক্ৰমৰ আয়োজন কৰিব

## ৯.৩. লিংগ সংবেদনশীল জল পৰিবহন ব্যৱস্থা

আইডব্লিউটি প্ৰকল্পৰ অংশ হিচাপে লিংগ সংবেদনশীল আভ্যন্তৰীণ জল পৰিবহন নক্সা আৰু কাৰ্য্যকৰীকৰণ সৰ্ব্বোচ্চ অগ্ৰাধিকাৰপ্ৰাপ্ত কাৰক হ'ব লাগিব। কাৰ্য্যক্ষেত্ৰৰ তথ্যই আইডব্লিউটি ব্যৱহাৰ কৰাৰ সময়ত মহিলাৰ মাজত নিৰাপত্তা আৰু সুৰক্ষাৰ অভাৱ অনুভৱ সূচাই। মহিলা, শিশু, অসুখীয়া, বিশেষভাৱে সক্ষমসকলৰ নিৰাপত্তা আৰু সুৰক্ষা নিশ্চিত কৰিবলৈ আইডব্লিউটি পৰিবহন ব্যৱস্থাত শক্তিশালী পদক্ষেপ গঢ়ি তুলিব লাগিব।

## ১০.১. থলুৱা লোকৰ উন্নয়ণৰ পৰিকল্পনা (আইপিডিপি)

থলুৱা লোকৰ বাবে বিশ্ব বেংকৰ সুৰক্ষা নীতিৰ বিবৃতিয়ে, নিশ্চিত কৰে যে সকলো প্ৰকল্পৰ বাবে যিবোৰ বেংকৰ বিত্তপোষণৰ বাবে প্ৰস্তাৱ কৰা হৈছে আৰু থলুৱা লোকক প্ৰভাৱিত কৰিব, এক মুক্ত, আগতীয়া আৰু তথ্যবহুল মন্ত্ৰণাৰ প্ৰক্ৰিয়া কৰা উচিত যাৰ ফলস্বৰূপে প্ৰকল্পটোৰ প্ৰতি প্ৰভাৱিত থলুৱা লোকসকলৰ দ্বাৰা সামূহিক সমৰ্থন সৃষ্টি কৰে। এনে বেংক-বিত্তপোষিত প্ৰকল্পসমূহত অন্তৰ্গত থকা পদক্ষেপসমূহ হ'ল (ক) থলুৱা লোকসকলৰ সম্প্ৰদায়ৰ ওপৰত বিৰূপ প্ৰভাৱৰ সম্ভাৱনাবোৰ এৰাই চলা; বা (খ) যেতিয়া এৰাই যোৱাটো সম্ভৱ নহয়, এনে প্ৰভাৱসমূহ ন্যূনতম, নিৰ্বাপন, বা ক্ষতিপূৰণ দিয়া। বেংক-বিত্তপোষিত প্ৰকল্পসমূহৰ আৰ্হি এনেদৰে প্ৰস্তুত কৰা হয় যাতে থলুৱা লোকসকলে সামাজিক আৰু অৰ্থনৈতিক সুবিধা লাভ কৰে যিবোৰ সাংস্কৃতিকভাৱে সঠিক আৰু লিংগ আৰু আন্তপ্ৰজন্মভাৱে অন্তৰ্গত।

প্ৰকল্প চক্ৰৰ বিভিন্ন পৰ্য্যায়ত থলুৱা লোকসকলৰ পৰিকল্পনা

| পৰ্য্যায়সমূহ | কাৰ্য্যপদ্ধতিসমূহ | কাৰ্য্যকলাপ ও ফলাফল |
|---|---|---|
| প্ৰস্তুতকৰণ | • অনুশীলনীমূলক গ্ৰামীণ মূল্যাংকন (পিআৰএ)-ৰ দ্বাৰা প্ৰকল্প কাৰ্য্যকলাপৰ সম্পৰ্কে উদ্বেগ/সমস্যাসমূহ চিনাক্তকৰণ | • সামাজিক পৰীক্ষণ আৰু পৰিসৰ প্ৰক্ৰিয়াৰ সময়ছোৱাত সমস্যাসমূহৰ এক তালিকা প্ৰস্তুত কৰা |
| | • গাওঁৰ পৰ্য্যায়ত মুক্ত, আগতীয়া আৰু তথ্যবহুল মন্ত্ৰণাৰ বাবে স্বায়ত্বশাসিত জিলা পৰিষদ / গাওঁ পঞ্চায়তৰ সৈতে বাৰ্তালাপ | • প্ৰকল্পৰ বিষয়ে তথ্যৰ বহুল প্ৰচাৰণ আৰু ৭-ম ফেব্ৰুৱাৰীত হোৱা প্ৰকল্প কাৰ্য্যকৰীকৰণৰ পৰিকল্পনাসমূহ আৰু ধ্যান-ধাৰণাৰ গাঁথনিৰ চুটি বিৱৰণ |
| | • প্ৰকল্প কাৰ্য্যকলাপ আৰু সা -সুবিধাৰ বিষয়ে অনুসূচীত জনজাতিসকলক জনাবলৈ মন্ত্ৰণাৰ আয়োজন | • এছআইএ-ৰ সময়ছোৱাত মাজুলীত হোৱা অংশীদাৰসকলৰ মন্ত্ৰণা আৰু এফজিডি -সমূহ |
| | • সীমাবদ্ধতাৰ গুৰুত্বপূৰ্ণ অঞ্চলসমূহ চিনাক্ত কৰক যাক হয়তো প্ৰকল্পটোৰ দ্বাৰা উন্নত কৰিব পৰা যাব আৰু জনজাতি বিকাশৰ বাবে বিস্তৃত পৰিকল্পনা বিকাশ কৰক | • সীমাবদ্ধতাসমূহৰ তালিকা<br>• মন্ত্ৰণাসমূহৰ সংখ্যা আৰু স্বাক্ষৰিত সভাৰ কাৰ্য্যবিৱৰণী<br>• জনজাতি উন্নয়নৰ বিশেষ লক্ষ্যৰে কৰা কাৰ্য্যকলাপসমূহৰ তালিকা |
| কাৰ্য্যকৰীকৰণ | অনুসূচীত জাতি /জনজাতি পিএএফ -সকলৰ বাবে এককালীন অতিৰিক্ত বিত্তীয় সাহায্য ৫০,০০০/- টকা যিসকল প্ৰকল্পটোৰ বাবে | • সা-সুবিধা লাভ কৰা পিএএফ -সকলৰ সংখ্যাৰ তালিকা |

| পৰ্য্যায়সমূহ | কাৰ্য্যপদ্ধতিসমূহ | কাৰ্য্যকলাপ ও ফলাফল |
|---|---|---|
| | স্থানচ্যুত হৈছে আৰু পুনৰ্স্থাপিত হ'ব লাগিব। | |
| | • প্ৰকৃত নিৰ্মাণ কাৰ্য্য কৰোতে জনজাতি সম্প্ৰদায়ৰ সদস্যসকললৈ নিযুক্তি | • নিযুক্ত হোৱা অনুসূচীত জনজাতি সকলৰ সংখ্যা |
| পৰিচালনা | • পৰ্য্যটনক আকৰ্ষণ আৰু পৃষ্ঠপোষকতা কৰিবলৈ বন্দৰসমূহ আৰু ফেৰী সেৱাৰ মানোন্নয়ন<br>• জনজাতি সম্প্ৰদায়ৰ সৈতে মুক্ত আগতীয়া আৰু তথ্যবহুল মন্ত্ৰণা | • ঐতিহাসিক স্থান , অঞ্চল, সংগ্ৰহালয়, অন্যান্য পৰম্পৰাগত আকৰ্ষণসমূহলৈ ফেৰী ব্যৱহাৰ কৰি পৰিদৰ্শন কৰিবলৈ যোৱা পৰ্য্যটকৰ % |
| | • অনুসূচীত জাতি /জনজাতি আৰু অন্যান্য অসুৰক্ষিত গোটসমূহৰ সক্ষমতা নিৰ্মাণ আৰু প্ৰতিষ্ঠানিক সবলীকৰণৰ বাবে উন্নীতকৰণ | • প্ৰশিক্ষণ কেলেণ্ডাৰ প্ৰস্তুত কৰিব লাগিব<br>• গ্ৰহণ কৰা প্ৰশিক্ষণৰ সংখ্যা<br>• প্ৰশিক্ষণপ্ৰাপ্ত জনজাতি সদস্যৰ সংখ্যা |
| | • সম্পৰ্কীত উপ-প্ৰকল্পৰ কাৰ্য্যকলাপত অনুসূচীত জনজাতিৰ বাবে নিযুক্তিকৰণৰ উৎপাদন | • প্ৰকল্পৰ অধীনত বিভিন্ন কাৰ্য্যকলাপৰ দায়িত্বত নিযুক্ত অনুসূচীত জনজাতিৰ সংখ্য |
| | • দক্ষতা বৃদ্ধি আৰু ফেৰী সেৱাৰ মানোন্নয়নৰ বাবে গুৰুতৰ চৰকাৰী আঁচনিৰ সৈতে সম্পৰ্ক তৈয়াৰত সহায় কৰা। | • জীৱনদিঙা আঁচনি বা একে প্ৰকাৰৰ উদগনি প্ৰসাৰ আঁচনি গ্ৰহণ কৰা অনুসূচীত জনজাতিৰ সংখ্যা। |
| জিআৰএম | • জিআৰচি-ত ষষ্ঠ অনুসূচীত অঞ্চলত এডিচি -ৰ এগৰাকী সদস্য অন্তৰ্ভুক্ত কৰা , আৰ এণ্ড আৰ আৰু ভূমি সম্পৰ্কিত বিবাদসমূহ নিষ্পত্তি কৰিবলৈ | • অনুসূচীত জনজাতি অঞ্চলত সন্মুখলৈ অহা আৰু নিষ্পত্তি হোৱা অভাৱ -অভিযোগৰ সংখ্যা |

### ১১.১. শ্ৰমিক, স্বাস্থ্য আৰু নিৰাপত্তা

প্ৰকল্প কাৰ্য্যকৰীকৰণ পৰ্য্যায়ৰ সময়ছোৱাত, শ্ৰমিক, স্বাস্থ্য আৰু নিৰাপত্তা কিছুমান গুৰুতৰ অঞ্চল য'ত আশংকাৰ উদয় হ'ব পাৰে, আৰু নিৰ্বাপনৰ পদক্ষেপসমূহৰ পৰিকল্পনা কৰিবই লাগিব। এছআইএ-ই শ্ৰমিক কল্যাণ আইনৰ বিষয়ে স্থানীয় শ্ৰমিকসকলৰ মাজত জ্ঞানৰ অজ্ঞতা প্ৰকট কৰিছিল। এটা স্থানৰ বাহিৰে, এইবোৰৰ কোনো এখন গাওঁৰ পৰা শ্ৰমিক সংগঠনৰ খবৰ অহা নাছিল। নিৰ্মাণ কাৰ্য্যকলাপত প্ৰত্যক্ষ আৰু পৰোক্ষ দুয়োপ্ৰকাৰেই মহিলাৰ জড়িত হোৱাটো পুৰ্বানুমান কৰি, সাধাৰণভাৱে শ্ৰমিকসকলৰ কল্যাণৰ বাবে আৰু বিশেষকৈ নিৰ্মাণ পৰ্য্যায়ৰ সময়ছোৱাত মহিলা আৰু শিশুসকলৰ হিতৰ বাবে নিশ্চিত পদক্ষেপ কিছুমান লোৱাটো প্ৰয়োজন।

তাৰোপৰি, নিৰ্মাণ ঠিকাদাৰগৰাকী 'অট্টালিকা আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক (নিযুক্তিৰ নিয়ন্ত্ৰণ আৰু সেৱাৰ অৱস্থা) আইন, ১৯৯৬' অনুসৰি অস্থায়ী বাসস্থানৰ ব্যৱস্থা আৰু অন্যান্য প্ৰয়োজনীয় আন্ত:গাঁথনিমূলক সা-সুবিধা আগবঢ়াবলৈ দায়বদ্ধ। মহিলাসকলে নিৰ্মাণৰ সময়ত অদক্ষ শ্ৰমিক হিচাপে অংশগ্ৰহণ কৰিব পাৰিব আৰু তেওঁলোকৰ স্বাস্থ্য আৰু নিৰাপত্তাৰ বাবে পদক্ষেপ ল'ব পাৰি।

## ১১.২. নিৰ্মাণ পৰ্য্যায়ত শ্ৰমিকসকলৰ বাবে ব্যৱস্থা

ঠিকাদাৰৰ দ্বাৰা স্থাপন কৰা নিৰ্মাণ স্থলীসমূহ সকলো প্ৰযোজ্য শ্ৰমিক আইন মানি চলাটো প্ৰয়োজনীয়। একে প্ৰকাৰে, নিৰ্মাণ শিবিৰৰ শ্ৰমিকসকলৰ বাবে কিছুমান পৰামৰ্শ দিয়া হৈছে বিশেষকৈ স্থলীত কৰ্মৰত মহিলাৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ। অতিৰিক্তভাৱে, তদাৰকী পৰামৰ্শদাতাগৰাকী আৰু পিআইইউ-য়ে নিৰ্মাণ পৰ্য্যাৰ সময়ত শ্ৰমিক মানদণ্ড বাধ্যবাধকতা নিৰীক্ষণ কৰিব।

যৌনভাৱে সংক্ৰমিত ৰোগ আৰু এইডছৰ প্ৰাদুৰ্ভাৱ নিৰ্মাণ অঞ্চলসমূহত প্ৰায়েই নিয়ন্ত্ৰণহীন। অস্বাস্থ্যকৰ যৌনাচাৰে এছটিডি আৰু এইডছ উৰ্দ্ধগামী কৰে। নিৰ্মাণ শ্ৰমিকসকলৰ দুৰ্বলতাৰ পৰিস্থিতিত, ব্যক্তিসকলৰ বাবে সজাগতা শিবিৰ, নিৰ্মাণ শিবিৰ আৰু লগতে ওচৰৰ গাওঁসমূহ দুয়োটাতে, আৰু ৰেহাই হাৰত নিৰোধৰ যোগান আৰু নিৰ্দিষ্ট স্থানসমূহত নিৰোধ বিক্ৰী কৰা যন্ত্ৰ।

এছএমএফ ধ্যান-ধাৰণাৰ গাঁথনিত উল্লেখ কৰা শ্ৰমিক অনুপ্ৰৱেশ ব্যৱস্থাপনাৰ আশংকাসমূহ নিয়ন্ত্ৰণ কৰিবলৈ, সকলো নিৰাপত্তা ব্যৱস্থাৰ পদক্ষেপসমূহ, মণ্ডলীয় ই এণ্ড এছ কোষৰ নিৰীক্ষণত আৰু বেচৰকাৰী সংস্থাসমূহৰ সহযোগিতাত সুনিশ্চিত কৰাটো প্ৰয়োজন।

## ১২.১. নিৰীক্ষণ আৰু মুল্যায়ন পৰিকল্পনা

নিৰ্ধাৰিত মাইলৰ খুঁটিসমূহ সামাজিক ব্যৱস্থাপনাৰ ধ্যান-ধাৰণাৰ গাঁথনিৰ সৈতে সমন্বয়তাৰে পূৰ্ণ কৰা হোৱাটো সুনিশ্চিত কৰিবলৈ প্ৰকল্প কাৰ্য্যকলাপসমূহৰ নিৰীক্ষণ আৰু মূল্যায়ন স্পষ্ট সাময়িকতাত (মাহেকীয়া/তিনি মহীয়া/ছয় মহীয়া/বছৰেকীয়া ইত্যাদি) কৰা হ'ব। প্ৰকল্পটো এআইডব্লিউটিডিএছ-ৰ প্ৰকল্প ব্যৱস্থাপনা গোট (পিএমইউ)-ৰ সামাজিক উন্নয়ন দলৰ সহায়ত নিয়মীয়াভাৱে আভ্যন্তৰীন নিৰীক্ষনৰ বাবে দায়বদ্ধ। এই উদ্দেশ্যে পিএমইউ পৰ্য্যায়ত এক এম এণ্ড ই বিশেষজ্ঞৰ প্ৰয়োজন হ'ব পাৰে। যদি অৰ্হতাসম্পন্ন ব্যক্তি এআইডব্লিউটিপি-ত উপলব্ধ, তেওঁলোকক নিয়োগ কৰা যাব পাৰে বা এক নতুন কৰ্মচাৰী চুক্তিবদ্ধ কৰিব লাগিব।

## ১৩.১. আৰ এণ্ড আৰ ব্যয় অন্তৰ্ভুক্ত কৰি সামাজিক ব্যৱস্থাপনা পৰিকল্পনাৰ বাবে বাজেটৰ প্ৰাক্কলন

অগ্ৰাধিকাৰপ্ৰাপ্ত ৩ টা ঘাটৰ বাবে প্ৰতিষ্ঠানিক ব্যয়সমূহ অন্তৰ্ভুক্ত কৰি এছআইএ কাৰ্য্যকৰীকৰণ, আৰএপি আৰু আইপিডিপি-ৰ বাবে বাজেট প্ৰাক্কলন কৰা হৈছে।